শ্ৰীশ্ৰীচণ্ডী

4173

৩০২৯/ধ:
২৯-৮-৯৯

# মহিষাসুৰ-বধ ।

:o:

শ্ৰীযুক্ত গোপাল চন্দ্ৰ বৰঠাকুৰ ৰচিত

:o:

শ্ৰীশিবনাথ শৰ্ম্মা ভট্টাচাৰ্য্য দ্বাৰা

প্ৰকাশিত ।

প্ৰথম সংস্কৰণ ।

যোৰহাট দৰ্পণ প্ৰেছত,

শ্ৰীটুনিৰাম শৰ্ম্মা দ্বাৰা ছপা হ'ল ।

সন ১৯০৮ ।

মূল্য ।৶০ ছয় অনা মাথোন ।

৫০২৯/ধঃ
২৯.৫.৯৯

শ্ৰীশ্ৰীচণ্ডী

# মহিষাসুৰ-বধ ।

---:o:---

শ্ৰীযুক্ত গোপাল চন্দ্ৰ বৰঠাকুৰ ৰচিত

---:o:---

শ্ৰীশিবনাথ শৰ্ম্মা ভটাচাৰ্য্য দ্বাৰা
প্ৰকাশিত ।

প্ৰথম তাঙৱণ ।

যোৰহাট দৰ্পণ প্ৰেছত,
শ্ৰীটুনিৰাম শৰ্ম্মা দ্বাৰা ছপা হ'ল ।

সন ১৯০৮ ।

---

মূল্য ।৶ ছয় অনা মাথোন ।

৩০২৯/অ:

পূৰ্ব্বাপৰ নোহোৱা অতি অদ্ভুত যুদ্ধ।

# মহিষাসুৰ-বধ।

এই পুথি যাৰ ঘৰে থাকে, ঐশ্ব্যৰ্য বিভূতি
ধন জন বৃদ্ধি হয় ও ত্ৰিবিধ উৎপাত শান্তি হয়
ইহা স্বয়ং ভগবদ্‌বাক্য।

এই পুথি খানি মূলৰ পৰা ৰচনা কৰি কোনো কাৰণ বশে "মহিষাসুৰ বধ বুলি নাম দিয়া হল। যোৰহাটৰ শ্ৰীযুত শি নাথ শৰ্ম্মা ভট্টাচাৰ্য্য হেড পণ্ডিত ডাঙ্গৰীয়াই বহু পৰিশ্ৰম কৰি আগাগোৰা সংশোধন কৰি দিলে। তেওঁৰ এই উদাৰ নৈতি পৰোপকাৰী ধৰ্ম্মব্ৰতৰ ফল অনিবাৰ্য্য। আমি কৃতজ্ঞতা সহকা আজীবন তেওঁৰ উপকাৰত ঋণী থাকিলো। এই পুথি ই পুৰ্ব্বে প্ৰকাশ হোৱা নাই। অদ্ভুত অপূৰ্ব্ব যুদ্ধ। কোমল অ মীয়া ভাষাত ভাঙ্গনী পদ ছাপা কৰি প্ৰকাশ কৰিবৰ কাৰ উক্ত ডাঙ্গৰীয়াৰ হাতত সমৰ্পন কৰিলো। পাঠক সকলৰ প্ৰীতি প্ৰদ হলেই আমাৰ পৰিশ্ৰম ফেখি সফল হয়। ইতি
সন ১৯০৭। ২৮ সে আগষ্ট মোং শক ১৮২৯। শ্ৰাবণ মাস

হাতিখলি, আসাম। } শ্ৰীগোপালচন্দ্ৰ দেৱ শৰ্ম্মা
২৮। ৮। ০৭ } বড়ঠাকুৰ

লাইব্ৰেৰী। তাৰিখ

# মুখবন্ধ।

## ব্রহ্মাদেবৰ কাল ভোগ নির্ণয়।

কবিবৰ কীর্ত্তিবাস প্রণীত, পদ্যৰামায়ণ দৃষ্টে প্রমাণ ব্রহ্ম-দিবসীয় তিন দিন মাত্র ৰাবণ ৰাজাৰ পৰমায়ু আছিল। নির্ণয় যথা। মূল শাস্ত্র সত্য পূর্ণ গ্রন্থ, শ্রীমদ্ভাগবত উল্লিখিত দেবমানে ১০০০, যুগ, অর্থাৎ ন্যূনাধিক ৬৪৮,০০০,০০০০ বর্য ই ব্রহ্মাৰ দিনহয়। ৰাত্রি পৰিমাণো তিমানেই। প্রতি দিবসান্তে ব্রহ্মা দেব শয়ন কৰে। তেতিয়া নিত্য প্রলয় ঘটে। স্বর্গ, মর্ত্য, পাতাল, তিনিয়ো লোক নষ্ট হয়। দেব ঋষি মুনি বিলাক মহল্লোকত থাকেগৈই তেনেহলে তিনিয়ো লোক নষ্ট পালে তেতিয়ানো ৰাবন কঁত আছিল।

মোটা মুটি হিচাবত বুজা যায়, মনুষ্যৰ চাৰিযুগে, অর্থাৎ বেছি কমতি ৬৫৮০০০০ বর্য হয়। তবে ব্রহ্মাৰ এক দণ্ডত ২১৬০০০০০০ বর্য, এবং এক পলত ৩৬০,০০০০ বৎসৰ (নিমেষত ৬০০০০ বর্য প্রমাণ।) মনুষ্য মানে ব্রহ্মাৰ মুহূর্ত্তত ৬০,০০০ বর্য হলে এই এক অঙ্ক পাতে তিনদণ্ড, ৰাবণৰ পৰমায়ু ধৰিলেও ৬৪৮,০০০,০০০ বৎসৰ হয়। এই সংখ্যা অনুসাৰে মনুষ্য মানে ৪০০ যুগ ৰাবণৰ পৰমায়ু। কিন্তু ইয়ো সম্ভবপৰ নহয়। যদি একদণ্ড ধৰা যায়, তেনেহলে ২১৬০০০,০০০ বর্যহব। অর্থাৎ ১৩৩ যুগ। যদি তিনি পল ধৰা যায়, তেনেহলে ন্যূনাধিক ৭ যুগ হয়। ইয়াৰে সীতাক স্পর্শ কৰাত, অর্দ্ধক্ষয় হলেও বাকী ১৷৷ পল অর্থাৎ ছাৰে তিনি যুগ আয়ুস প্রাপ্ত হল।

এইটি অবশ্য সম্ভবীয়।

দ্বিতীয় মনুস্বাৰোচিষৰ দিনত, মহিষাসুৰ উৎপন্ন। তাৰে ।ৰা ব্ৰহ্মমানে ৩০ যুগ (মনুষ্য মানে বৰ্ত্তমান যুগ পৰ্য্যন্ত ১২০০ ।ান যুগ হৈছে) হিঁচাবত ব্ৰহ্মাদেবৰ মাত্ৰ কিছু ও পৰ এপৰ মান বলিহে উঠিছে।

বঘাসুৰ বধত দেখা যায়, বিল্ববনত পাৰ্ব্বতীয়ে দ্ৰৌপদীক ৰ দিছে যে পাণ্ডব ব্ৰহ্মাৰ দিনেৰে এদিন পৃথিবীত থাকিব। ন্যোন্য শাস্ত্ৰ দৃষ্টে বুজা হয় মাত্ৰ ১০০ বছৰ আছিল। আৰু কানো কোনো শাস্ত্ৰত লিখা আছে, ব্ৰহ্মাদেবৰ দিন ৰাত্ৰি সমে ৩০,০০০,০০০ বৰ্ষ। নানা ঋষিৰ নানা মত। দৃষ্ট প্ৰমাণতো দখা হৈছে, পাণ্ডৱ এতিয়া নাই। সিবিলাকৰ মাত্ৰ নাম ধাম লিত আছে। শাস্ত্ৰৰ সন্দৰ্ভ বাক্য জ্ঞানীৰো বোধাগম্য। ল চালে ব্ৰহ্মাৰ দিনত ১৪ জনা মনুৰ ক্ষয়। এক মনুৰ ।ল দেব মানে ৭১ যুগ। বৰ্ত্তমান মাত্ৰ সপ্তম মনুত প্ৰবিষ্ট।

শ্ৰীগোপাল দেব শৰ্ম্মনঃ।

# নিৰ্ঘণ্ট ।


| বিষয় । | | পৃষ্ঠা পদ সংখ্যা |
|---|---|---|
| ১ | অথ অৱতৰণিকা ... ... | / |
| ২ | ,, বৈশ্য সহিত ও ৰাজাৰ মেধসস্থানে গমন | |
| ৩ | ,, বিষ্ণুৰ সহিত মধুকৈটভৰ বাহু যুদ্ধ ... | ১ |
| ৪ | ,, মধুকৈটভ বধ ... | ২ |
| ৫ | ,, সংক্ষেপ সৃষ্টি প্ৰকৰণ ... ... | ২ |
| ৬ | ,, গৃহযক্ষ প্ৰেতত্ব কথন ... ... | ২ |
| ৭ | ,, স্বাৰোচিষ মন্বন্তৰে মহিষাসুৰ উপাখ্যান | ৩ |
| ৮ | ,, দেবীৰ আবিৰ্ভাব ও দেবতাৰ পূজা ... | ৩ |
| ৯ | ,, মহিষাসুৰৰ যুদ্ধে যাত্ৰা ... ... | ৪ |
| ১০ | ,, সেনাপতিৰ সৈন্য সংখ্যা বিবৰণও সৈন্য যুদ্ধ | ৪ |
| ১১ | ,, পৈশাচিক সৈন্য বৰ্ণনঃ ... ... | ৫ |
| ১২ | ,, কবন্ধ সৈন্য নিৰ্ণয় ... ... | ৫ |
| ১৩ | ,, চিক্ষুৰাক্ষ্যৰ যুদ্ধত পতন... ... | ৫ |
| ১৪ | ,, চামৰৰ যুদ্ধান্তে পতন ... ... | ৬ |
| ১৫ | ,, চামৰ বধ ... ... | ৬ |
| ১৬ | ,, উদগ্ৰ সেনাপতিৰ যুদ্ধ ও পতন ... | ৬ |
| ১৭ | ,, বিৰালাক্ষ, স্কন্ধ দুৰ্ম্মুখ ও ত্ৰিনেত্ৰাৰ যুদ্ধ ও পতন | [illegible] |
| ১৮ | ,, মহিষৰ ৰণে প্ৰবেশ ... ... | ৭ |
| ১৯ | ,, মহিষাসুৰ বধ ... ... | ৮ |
| ২০ | ,, দেবস্তুতি ... ... | [illegible] |
| ২১ | ,, দেবীৰ বৰদান ও অন্তৰ্দ্ধান ... | [illegible] |

# অৱতৰণিকা ।

নমো নাৰায়ণায় ।

পূৰ্ব্বে ভাৰতৰ যুদ্ধ দ্বাপৰ শেষত ।
কৌৰৱে পাণ্ডৱে যেবে হইল নিবৰ্ত্ত ॥১॥
ভাৰত পুৰাণ ব্যাস দেৱে নিবন্ধিল ।
প্ৰিয় শিষ্য জৈমিনিয়ে পাঠ শিক্ষা কৈল ॥
সুন্দৰ কোমল ভাব অতীৱ গভীৰ ।
সালঙ্কৃত সুসজ্জিত বিবিধাৰ্থ সাৰ ॥ ৩ ॥
নিবন্ধিল ঋষি তাত আখ্যান সমস্ত ।
বংশ মন্বন্তৰা কল্প ৰাজাৰ চৰিত্ৰ ॥ ৪ ॥
কিন্তু কিছুমান তাত সংশয় ডাঙ্গৰ ।
ছেদিবে নপাৰি ভৈল বিস্ময় অন্তৰ ॥৫॥
বনে মাৰ্কণ্ডেয় স্থানে কৰিল গমন ।
যথাতে আছন্ত ঋষি কৰি যোগাসন ॥৬॥
দণ্ডৱতে প্ৰণিপাতে কৃতাঞ্জলি পূটে ।
জৈমিনি পুছন্ত অতি সমাদৰ চিত্তে ॥৭॥
অবা গুৰু বাপ দেৱ কৰোহো প্ৰণাম ।
যিবা কাৰ্য্যে আমি আসি আছো তয়ু স্থান ॥

লেখিলন্ত ব্যাসদেৱে পুৰাণ ভাৰত ।
কতো স্থানে আছে মোৰ সংশয় তাহাত ॥৯॥
যদি প্ৰভু ! অনুগ্ৰহ কৰিবা আমাক ।
ছেদিয়ো সংশয় মন কৃতাৰ্থ কৰোক ॥১০॥
কিবাহেতু কৃষ্ণ দেৱ ভৈলন্ত মনুষ্য ।
নাৰায়ণ কিয় নৰযোনি অৱতংশ ॥ ১১ ॥
তীৰ্থ যাত্ৰাকালে বলোৰাম কিবা হেতু ।
কৰিলন্ত ব্ৰহ্মবধ সুত জ্ঞান সিন্ধু ॥১২॥
দ্ৰৌপদীৰ পঞ্চ গুটি বালক সন্তান ।
অসংস্কাৰে কিবাহেতু হইল নিধন ॥ ১৩॥
শ্ৰীকৃষ্ণ সহায় যাৰ পাণ্ডু সুত বাপ ।
অবিবাহে বিনা যুদ্ধে মৰে কিবা পাপ ॥১৪॥
ইহাৰ কাৰণ দেব কহিয়ো বুজায় ।
তযু মুখ বেদ বাক্যে ছেদিবো সংশয় ॥১৫॥
মাৰ্কণ্ড বদতি বাপু জৈমিনি সুজান ।
নিৰ্ণয় কৰিয়া লৈয়ো পক্ষী গণ [illegible] ॥১৬॥
এহি মোৰ সন্ধ্যাকাল হইল আগত ।
নাহি অবকাশ কিছু কহিলো তোমাত ॥১৭॥
বিন্ধ্যাচলে যাহ পাইবা চাৰি পক্ষী দেখা ।
মহাজ্ঞানী তত্ব দৰ্শী খণ্ডিবেক ব্যথা ॥১৮॥

জৈমিনি কহন্ত ইটো বিস্ময় ডাঙ্গৰ ॥
পক্ষীগণ জানে কথা বেদ ৰহস্যৰ ॥ ১৯ ॥
কোন জাতি পক্ষী দেব কিবা নাম ধৰে ।
শাস্ত্ৰৰ ৰহস্য কথা তাহাৰ গোচৰে ॥২০॥
কাহাৰ তনয় পক্ষী কিবা নাম জাত ।
কিবাহেতু জাতিস্মৰ জন মৰা কৈত ॥২১॥
সৰ্ব্ব দোষ বিবৰ্জ্জিত মাৰ্কণ্ড বিবুধ ।
হেন শুনি জৈমিনিক দিলন্ত প্ৰবোধ ॥২২॥
পিঙ্গাক্ষ বিবুধ আৰু সুপুত্ৰ সুমুখ ।
ঋষি পুত্ৰ কৰে গিৰি কন্দৰে নিবাস ॥২৩॥
নন্দন কাননে পূৰ্ব্বে দেব সুৰ পতি ।
অপেস্বৰী সহিত সদা নৃত্য গীতে ৰতি ॥২৪॥
দৈবে এক দিনে তথা দেবৰ্ষি নাৰদ ।
ইন্দ্ৰ অগ্ৰে হঠাৎ ভৈলন্ত উপস্থিত ॥২৫
বেশ্যা সহ আসি ইন্দ্ৰে মুনিক নমিল ।
তুষ্ট হেতু নৃত্য নাচ কৰিবে বুলিল ॥২৬॥
নাৰদ কহয় যেই সবাৰ উত্তম ।
হাস্যে লাস্যে কটাক্ষে মোহিবে পাৰে মন ॥২৭
হেন জন নৃত্য কৰে তবে প্ৰীতি হৈই ।
শুনি বপু অপেস্বৰা গৈল আগ হই ॥২৮॥

ঋষি বোলে হিমাচলে দুৰ্ব্বাসা আছয় ।
আৰ তপ ভঙ্গ যদি কৰিবে পাৰয় ॥২৯॥
তবে তোৰ গানে তুষ্ট হইবো নটিনী ।
তেবে সৰ্ব্ব জন মধ্যে তুমি শ্ৰেষ্ঠ ধনী ॥৩০॥
ঋষিবাক্যে বপুনটী হিনাচলে গৈল ।
ক্ৰোশ মাত্ৰ দূৰে থাকি গীত আৰম্ভিল ॥৩১
মত্ত কোকিলৰ কণ্ঠ সুস্বৰ সুন্দৰ ।
গান শুনি দূৰ্ব্বাসাৰ ক্ৰোধ গুৰুতৰ ॥৩২॥
দুষ্টা পাপিয়সী বেশ্যা কামুকা ৰমণী ।
পৰিশ্ৰম নষ্ট লাগি আসিলি নটিনী ॥৩৩॥
দিলো শাপ যোলবৰ্ষ পক্ষিৰূপ ধৰ ।
শাপ অন্তে যুদ্ধ অস্ত্ৰে মুক্ত কলেৱৰ ॥৩৪॥
গৰুড়ৰ পৰি নাতি কঙ্ক যে কঙ্কৰ ।
একদিন গৈল কঙ্ক কৈলাশ শিখৰ ॥৩৫॥
বিদ্যুদ্ৰূপ নামে এক ৰাক্ষস তথাত ।
কৰে ক্ৰীড়া নাৰী সহ মদ্যপানে শক্ত ॥৩৬॥
ৰঙ্গস্থলে কঙ্ক দেখি ক্ৰুদ্ধে হুতাশন ।
খড়গাঘাতে মুণ্ড তাৰ কৰিল ছেদন ॥৩৭॥
ভ্ৰাতৃহত্যা শুনি ভবে কঙ্কৰ জ্বলিল ।
প্ৰতিশোধ লাগি বেগে কৈলাশত গৈল ॥৩৮॥

তাৰ পক্ষ বাতে সৰ্ব্ব সমুদ্ৰ কল্লোল ।
গিৰি শৃঙ্গলতা গছ ভাগি মসিমূৰ ॥৩৯॥
নিশাচৰ বিদ্ৰূপক সংহাৰ কৰিল ।
কামৰূপী তাৰ ভাৰ্য্যা গ্ৰহণ কৰিল ॥৪০॥
তাৰ গৰ্ভে বপুনটী দুৰ্ব্বাসাৰ শাপে ।
জনম লভিল তাৰ্ক্ষিনামে পক্ষী ৰূপে ॥৪১॥
কন্ধৰ ঔৰসে মদনিকাৰ গৰ্ভত ।
বপু অপেস্বৰী জন্ম দুৰ্ব্বাসা ক্ৰোধত ॥৪২॥
মন্দপাল নামে দ্বিজ চাৰিটী নন্দন ।
জ্যেষ্ঠৰ জিতাৰি নাম কনিষ্ঠৰ দ্ৰোণ ॥৪৩॥
দ্ৰোণ বিয়াইলেক তাৰ্ক্ষী কন্ধৰ তনয়া ।
কিছুকালে গৰ্ভৱতী ভৈল বিপ্ৰজায়া ॥৪৪॥
সপ্ত পক্ষ অতীত হইলে গৰ্ভিণীৰ ।
উড়ি উড়ি পাইল কুৰুক্ষেত্ৰৰ উপৰ ॥৪৫॥
সেহিকালে ঘোৰ যুদ্ধ পাৰ্থ ভাগদত্তে ।
অৰ্জ্জুনৰ শৰে গৰ্ভ কাটে আকাশতে ॥৪৬॥
চাৰি গুটী শুক্ল ডিম্ব ভূমিত পৰিল ।
শিমলু তুলাত যেন সন্তান শুৱাইল ॥৪৬॥
হেনকালে ভগদত্ত হস্তী সুপ্ৰতীক ।
গলহন্তে গজঘণ্টা কাটি পাৰিলেক ॥৪৮॥

দৈব নির্ব্বন্ধন কভু খণ্ডন নাহয় ।
অণ্ড ঢাকি মহা ঘণ্টা পৰিলন্ত তয় ॥৪৯॥
যুদ্ধশেষে যুধিষ্ঠিৰ ভীষ্ম দেবস্থানে ।
পুৰাণাদি ধর্ম্মতত্ব শুনে অনুক্রমে ॥৫০॥
সমীক নামত ঋষি শিষ্য সমন্বিত ।
ভীষ্মক দেখিবে লাগি গৈলন্ত ক্ষেত্রত ॥৫১॥
ঘণ্টামধ্যে চাঁচঁ, চাঁচাঁ, পক্ষী শব্দ শুনি ।
শিষ্যসহ ঘণ্টা তুলি দেখিলন্ত মুনি ॥৫২॥
চাৰিগুটী অপোগণ্ড আশ্রমত নিল ।
ঋষিৰ সাহায্যে উৰিবাক শক্তি ভৈল ॥৫৩॥
একদিনা ঋষি প্রতি মিনতি কৰিয়া ।
মনুষ্য সদৃশ কহে কৃতজ্ঞতা হুইয়া ॥৫৪॥
সশিষ্য মুনিয়ে তাঙ্ক কাৰণ পুছিলা ।
কোন মহাজন পূর্ব্বে জাতিস্মৰ হৈলা ॥৫৫॥
পক্ষীগণ কহে মোৰা ব্রাহ্মণ সন্তান ।
বিপুলম্বা নামে মুনি ছিল একজন ॥৫৬॥
সুকৃষ তুম্বুৰু তাৰ দুইটী তনয় ।
সুকৃষৰ পুত্র মোৰা চাৰি জন হয় ॥৫৬॥
পিতৃ আজ্ঞা পালি মোৰা কাননে থাকোহো ।
ব্রাহ্মণৰ কুল ধর্ম্মমতে প্রবর্ত্তোহো ॥৫৮॥

দৈবে একদিন তথা বৃদ্ধ পক্ষী এক।
প্রকাণ্ড শৰীৰ জৰশৰ স্পন্দ বাক্য ॥৫৯॥
পক্ষীবলে পিতা স্থানে আমি বড় ভুখি।
আহাৰ বিনাই হইয়াছে অতি দুঃখী ॥৬০॥
বিন্ধ্য গিৰি শিখৰত আমাৰ আবাস।
গৰুড়ৰ পক্ষবাতে হইলো নৈৰাশ ॥৬১॥
পক্ষবাত মহাবায়ু উড়াই ফেলিল।
ভোখে প্ৰাণ যাই তাতে আহাৰ খুজিল ॥৬২॥
পিতৃ কহে কোন বস্তু সুৰুচি তোমাৰ।
পক্ষী কহে নৰমাংস অতি প্ৰীতিকৰ ॥৬৩॥
শুনি মোৰা চাৰি জনে পিতৃ আজ্ঞা দিল।
মিথ্যা মোহে জ্ঞানলুপ্ত মোৰ নাশুনিল ॥৬৪॥
তিৰ্য্যগ্ যোনি জন্ম অভিশাপ দিল পিতা।
কান্দিয়া মিনতি যেবে কৰিলোহো তথা ॥৬৫॥
জাতিস্মৰ মহাজ্ঞানী হইবে বৰ দিল।
পিতৃ নিজে দিয়া মাংস পক্ষীক তুষিল ॥৬৬॥
হেন কালে নিজৰূপে কহে দেবৰায়।
আমি ইন্দ্ৰ পৰীক্ষিবে আইলো তযু ঠাই ॥৬৭॥
সেহি ধৰ্ম্ম পক্ষী দেব তথাতে আছয়।
শিলাতলে বসি সদা বেদ বখানয় ॥৬৮॥

যাহ তথা বৈমিনি সংশয় দূৰ হইব ।
পৰম নিৰ্ম্মল জ্ঞান হৃদয়ে জন্মিব ॥৬৯॥

:0:

শ্ৰীশ্ৰীচণ্ডী ( সংক্ষিপ্তাঃ )

# মধুকৈটভ-বধ ।

---:o:---

স্থৰথ ৰাজাৰ বন গমন ।

শ্ৰীকৃষ্ণায় নমঃ । নমো দুৰ্গায়ৈ ॥

## বন্দনা ।

যন্নাম তুণ্ডে ৰতিং বিতনুতে তুণ্ডাবলিং লব্ধয়ে ।
কৰ্ণক্ৰোড়ে কাদম্বিনী ঘটয়তে কৰ্ণাৰ্ব্বুদেভ্যঃ স্পৃহাম্ ।
চৈতাঃ প্ৰাঙ্গনে সঙ্গিনী বিজয়তে সৰ্ব্বেন্দ্ৰিয়া নিকৃতি ।
সেয়ং শ্ৰীজয়দুৰ্গা নিৰস্তা কুহকং সত্যং পৰং ধীমহি ॥

## পদ ।

জয়নমো কৃষ্ণদেৱ পূৰ্ণব্ৰহ্ম হৰি ।
সমস্ত মস্তক মণি গোলোক বিহাৰী । ১ ॥
জয় শিৱ সনাতন জয় ত্ৰিপুৰাৰী
জয়ন্তী মঙ্গলা অন্ন পূৰ্ণা বিশ্বেশ্বৰী । ২ ॥

জয় আদ্যাশক্তি জগদ্ধাত্রী নাৰায়ণী।
ৰাজ ৰাজেশ্বৰী সৰস্বতী বাগ্বাদিনী। ৩ ॥
সন্তসাধু গুৰুপদে নমস্কাৰ কৰি।
ইটো মহা অনুষ্ঠানে হৈলো ব্ৰতধাৰী। ৪ ॥
মধুকৈটভ বধনাম শ্ৰীহৰি উত্থান।
প্ৰথমে প্ৰবিষ্ট আত বন্দিলো চৰণ। ৫॥
মাৰ্কণ্ডৰ বাক্য শুনি জৈমিনি তখন।
বিন্ধ্যগিৰি অভিমুখে কৰিল প্ৰয়ান। ৬ ॥
কতোদিনে গৈই গিৰিকন্দৰ পাইল।
শিলাতলে উপবিষ্ট পক্ষীক দেখিল। ৭ ॥
গাত্ৰোত্থানে দ্ৰোণপুত্ৰ ঋষিক বন্দিল।
জৈমিনিয়ো মহানন্দে পক্ষীত পুছিল। ৮ ॥
ধৰ্ম্মপক্ষী বদতি শুনিয়ো মহাশয়।
বেদৰ ৰহস্য গোপ্য সৰ্ব্ব সুখময়। ৯ ॥
মাৰ্কণ্ড ক্ৰৌষ্টুকী পূৰ্ব্বে যিৰূপ সংবাদ।
সাৰশেষ সেহিকথা কৰিবো প্ৰকট। ১০ ॥
যাৰ মায়া-মোহে মুগ্ধ সৰ্ব্ব চৰাচৰ।
ইচ্ছাতে ঘুৰন্ত ব্ৰহ্মা বিষ্ণু মহেশ্বৰ। ১১ ॥
চৈতন্য স্বৰূপে যিটো আছন্ত প্ৰকাশি।
কাল দেবাধীন নোহে নিৰ্লিপ্ত উদাসী ॥১২॥

তাহান বিচিত্র লীলা কৰিবো বৰ্ণন ।
যতমান তান শক্তি দেহে বৰ্ত্তমান ॥ ১৩ ॥
পূৰ্ব্বে স্বাৰোচিষান্তৰে সপ্তদ্বীপ পতি ।
সুৰথ নামত ৰাজা মনুৰ সন্ততি ॥ ১৪ ॥
স্বাৰোচিষ জ্যেষ্ঠ পুত্ৰ চৈত্ৰ নাম ধৰ ।
তাহাৰ তনয় যে সুৰথ নৃপবৰ ॥ ১৫ ॥
বহু কাল সসাগৰা পৃথিবী শাসিল ।
স্ববীৰ্য্য সন্তান ৰূপে প্ৰজাক পালিল ॥১৬ ॥
দৈব বিড়ম্বনা ঘোৰ বিধিনি ঘটিল ।
শূকৰখাদক ম্লেচ্ছে ৰাজ্য কাঢ়ি লৈল ॥১৭ ॥
কোলাপুৰ ৰাজধানী তাহাৰ নগৰ ।
তাত থাকি সৰ্ব্বৰাজ্য পালে নৃপবৰ ॥১৮ ॥
পৰ্ব্বত নিবাসী ম্লেচ্ছ প্ৰজাতন্ত্ৰা ভৈল ।
চতুৰঙ্গ দলবান্ধি যুদ্ধ জপাইল ॥ ১৯ ॥
বাজিল ভীষণ ৰণ উভয় পক্ষত ।
অনেক বধিব যুদ্ধ ৰাজাৰ সহিত ॥ ২০ ॥
অতি বলবান ৰাজা সুৰথ নৃপতি ।
অতি ক্ষীণ-বীৰ্য্য গিৰিবাসী ম্লেচ্ছজাতি ॥ ২১ ॥
তথাপিও দৈব বলে নৃপতি ঘাটিল ।
ৰাজ্য কাঢ়িলৈয়া ম্লেচ্ছ ৰাজা চলি গৈল ॥২২ ॥

নিজ ৰাজধানী আসি ৰাজা ৰহিলন্ত ।
তাহাতো শত্রুয়ে আক্রমণ কৰিলন্ত ॥২৩॥
কাঢ়িলৈল ৰাজ্য হয়হস্তী ধনজন ।
স্বপুৰ অমাত্য লৈল শত্রুত শৰণ ॥ ২৪॥
নিৰুপায় মহাৰাজ চিন্তিত ব্যাকুল ।
একলা ঘোটকে চড়ি বাহিৰ হইল ॥ ২৫ ॥
মৃগয়াৰ ছলে মহা বনক চলিল ।
নিৰুৎসাহ বীৰ্য্যহীন ক্ষুধায়ে আকুল ॥২৬॥
হয়হস্তী ৰথ কোটী আজ্ঞায়ে চলন্ত ।
নিৰন্ন সুৰথ আজি উপাস কৰন্ত ॥ ২৭॥
সুবৰ্ণ পালঙ্কোপৰি দুগ্ধ ফেন তুলী ।
পদ সেবা কৰে স্বৰ্গ বিদ্যাধৰী নাৰী ॥২৮॥
মৃগমদ মলয় চন্দনে যেহি অঙ্গ ।
সৰ্ব্বদা ভূষিত আজি ধূলিৰ পালঙ্ক ॥২৯॥
সেহি অঙ্গে ভুগে নিদ্ৰা মসেডাঁসে খায় ।
চিন্তিয়া ভ্ৰমিয়া পাইল মুনিৰ আশ্ৰয় ॥৩০॥
মেধস নামত মুনি অতীব উত্তম ।
ফলে ফুলে জলে পূৰ্ণ তাহাৰ আশ্ৰম ॥৩১॥
সিংহ ব্যাঘ্ৰ ভল্লুকাদি ভয়াল গাণ্ডাৰ ।
হিংস্ৰজন্তু পৰিপূৰ্ণ অৰণ্য ভিতৰ ॥ ৩২॥

মুনিৰ তেজতে সবে প্ৰশান্ত মুকুতি ।
নাহি হিংসা পাপ দ্বেষ্যভাব ক্ৰুৰমতি । ৩৩
শিষ্যোপশোভিত ঋষি বসিয়া আছন্ত ।
বিশদ বেদাৰ্থ ব্যাখ্যা শিষ্যক বুজান্ত । ৩৪ ॥
হেনকালে ৰাজা কৃতাঞ্জলি পুট হুয়া ।
অষ্টাঙ্গে প্ৰণাম কৈল অবনত কায়া । ৩৫ ॥
ৰাজাদেখি মুনিবৰ সৎকাৰ কৰিল ।
অতিথী মানিয়া পাদ্য অৰ্ঘ্যে পূজাদিল । ৩৬
অভ্যৰ্থনা পাই ৰাজা সন্তুষ্ট ভৈলন্ত
কিছুকাল মুনিৰ আশ্ৰমে ৰহিলন্ত ॥ ৩৭ ॥
সৰ্ব্বদা ব্যাকুল চিত্ত অতি চিন্তান্বিত ।
কি কৰিব কি হইবে উপায় ৰহিত ॥ ৩৮ ॥
সদা উচ্চাটীত মন প্ৰাণ উৎকণ্ঠিত ।
দাৰাপত্য ৰাজ্যধন সবে অপহৃত ॥ ৩৯ ॥
যেহি ৰাজ্য মোৰ পূৰ্ব্ব পুৰুষ শাসিল ।
মন্ত্ৰ পুত্ৰ মোৰ আজি এহি দশা ভৈল ॥৪০
মোৰ আত্মজন দাৰাপত্য ভৃত্য কুল ।
শত্ৰুগণে কিবা নাকৰয় প্ৰতিপাল ॥ ৪১ ॥
শূৰনামে হস্তী মোৰ সবাৰ প্ৰধান ।
বলে বীৰ্য্যে হোৱে ঐৰাৱতৰ সমান ॥৪২॥

বিবিধ ভোগত সদা কাল কটাইল ।
বহু যত্নে বহু লোক যোগান ধৰিল ॥৪৩॥
শত্ৰুহাতে কিবা ভোগ পাইছে এখন ।
দুঃখ পাই মোক জানো কৰিছে স্মৰণ ॥৪৪॥
মোৰ অনুগত জন পূৰবাসী গণ ।
মোৰ ধন ভোগ কৰি ৰহে সৰ্ব্বক্ষণ ॥৪৫॥
দুঃখত পৰিয়া কিবা মোহোক সুমৰে ।
নজানো কিমতে মোৰ ধন ব্যয় কৰে ॥৪৬॥
বহু দুঃখে ধন ৰাশি কৰিলো সঞ্চয় ।
পূৰবাসী জন অতি খৰছী নিশ্চয় ॥ ৪৭ ॥
নজানি বা অপব্যয়ে কৰন্ত উবাৰ ।
শীঘ্ৰে ক্ষয় হুইয়া যাবে মোৰ ধনাগাৰ ॥৪৮॥
ইত্যাদি অনেক চিন্তা-সৰ্ব্বদা কৰন্ত ।
বৃক্ষতলে বসি চিন্তা-সমুদ্ৰে খেলন্ত ॥৪৯॥
দৈবে তথা এক বৈশ্য হইল দৰ্শন ।
ৰাজা জিজ্ঞাসিল কোন হেতু আগমন ॥৫০॥
কোন তুমি শোকাবিষ্ট মন কিকাৰণ ।
ভাল মন্দ কহ মিত্ৰ ভৈলোহো এখন ॥৫১॥
নৃপতি কাৰুণ্য বাক্যে কহে বৈশ্যপতি ।
মোহোৰ বৃত্তান্ত ৰাজা কৰ অবগতি ॥৫২॥

সমাধি মোহোৰ নাম বৈশ্য কুলে জন্ম।
ধনীশ্রেষ্ঠ আমি পৃথিবীত গণ্যমান্য ॥ ৫৩ ॥
ধনলোভে দাৰা পুত্ৰ অসাধু প্ৰবৃত্তি।
বহিষ্কৃত কৈল গৃহহন্তে মহামতি ॥ ৫৪ ॥
ধনলোভে দাৰাপত্য মোহোক ত্যাগিল।
ধনবিত্ত কাঢ়িলৈই বাহিৰ কৰিল ॥ ৫৫ ॥
ধন জন দাৰাপত্য হীন ভৈলো যেবে।
মনদুঃখে ঘোৰবন প্ৰবেশিলো তেবে ॥৫৬॥
ইথানতো আমি পুত্ৰ দয়িতা কাৰণ।
সৰ্ব্বক্ষণে চিন্তাযুক্ত ব্যাকুলিত মন ॥ ৫৭ ॥
কুশলে কি আছে তাৰা সংবাদ নাপাওঁ।
অনুক্ষণে মন শোকাবিষ্ট হুয়া ৰওঁ ॥৫৮॥
এতশুনি কহে ৰাজা শুনা বৈশ্য পতি।
যেহি দাৰাপুত্ৰ তোমা কৰিল দুৰ্গতি ॥৫৯॥
ধন কাঢ়িলৈই ঘৰহন্তে নিকালিল।
সিসবৰ প্ৰতি কিসে মমতা জন্মিল ॥৬০॥
বৈশ্যকহে ওহে নৃপ সত্য যি কহিলা।
মমতা বান্ধিছে মন নিষ্ঠুৰ নভৈলা ॥৬১॥
ধনলোভে পিতৃস্নেহ যি পুত্ৰ এৰিল।
পতিব্ৰতা নাৰী পতি পৰিহাৰ কৈল ॥৬২॥

সি সবৰ প্ৰতি মোৰ মমতা বাঢ়িছে ।
নিৰ্গুণ বান্ধৱ প্ৰতি প্ৰেম উপজিছে ॥৬৩॥
যি কহিছা তুমি ভূপ সব সত্য মানি ।
কি হেতু মমতা বাঢ়ে কোন ৰূপে জানি ॥৬৪॥
ৰাজা কহে যাওঁ চলা মুনিৰ সমীপ ।
কাৰণ জিজ্ঞাসো তাঙ্ক অতি অপৰূপ ॥৬৫॥
সৰ্ব্বজ্ঞ ঋষিৰ স্থানে ভ্ৰান্তি দূৰ হৈব ।
লভিবা পৰম জ্ঞান মন শান্ত হইব ॥৬৬॥
গোপাল বদতি ৰাজা বিচাৰ উত্তম ।
সন্ত সন্দৰ্শনে ঘুছে দৈববিড়ম্বন ॥ ৬৭॥
বহু পুণ্যবলে আজি সুপুৰুষ পাইলা ।
একাদশে বৃহস্পতি শনি ছাড়ি গৈলা ॥৬৮॥

———:o:———

অথ বৈশ্য সহিত ৰাজাৰ মেধস স্থানে গমন ।

পদ ।

মাৰ্কণ্ড বদতি শুনা ঋষি তপোধন ।
মেধসৰ স্থানে গৈল তবে দুয়োজন ॥ ১ ॥
কৃতাঞ্জলি পুটে নমি ঋষিত পুচন্ত ।
উপবিষ্ট হুই ৰাজাবৈশ্যে বিনাৰন্ত ॥ ২ ॥

ৰাজা কহে ভগবান কৰো নিবেদন ।
আমাসাৰ দুঃখ কথা কৰহ শ্ৰবণ ॥ ৩ ॥
মোৰ মন নুবুজয় ইহাৰ কাৰণ ।
মনহন্তে পৃথক্‌বস্তু ইটো কোন জন ॥ ৪ ॥
মূৰ্খলোক যেহিৰূপে বিষয়ত মুগ্ধ ।
জ্ঞানী হুই আমি হইয়াছো সেহিমত ॥ ৫ ॥
মোৰ ধন বস্তু ৰাজ্য দাৰাপত্য হেতু ।
মমতা আকৰ্ষ চিত্ত নজানি কিহেতু ॥ ৬ ॥
ইজনৰো দাৰাপত্য ভৃত্যাদি স্বজন ।
সবে নিৰাকৃত আক কৰিছে বৰ্জ্জন ॥ ৭ ॥
কলত্ৰ কৰিল ত্যাগ ধন কাঢ়ি লৈল ।
তথাপিতো এহিবৈশ্য মমে ডুবিল ॥ ৮ ॥
জ্ঞানহীন জন যেন বিষয় বিকল ।
মোৰা জ্ঞানী হুই তবু মোহ অবিচ্ছল ॥ ৯ ॥
ইহাৰ কাৰণ আমি মূৰ্খক বুজাইবা ।
কিবা ইটো মায়া গুৰু বিবৰি কহিবা ॥ ১০ ॥
হেনশুনি ঋষি তাঙ্ক কহিবে লাগিলা ।
জ্ঞান মায়া দুই বস্তু বিভাগ কৰিলা । ১১ ॥
শুনা ৰাজা জন্তু মাত্ৰে বিষয় সম্বন্ধ ।
সবাৰ আছন্ত জানা বল বিধে বিধ ॥ ১২ ॥

সেইটো বিষয় দুই ভাগ ভাগ ৰূপ।
বিষয়ে বিভিন্ন শব্দ অৰ্থজ্ঞান ভূপ ॥ ১৩ ॥
দিবসে অন্ধলা কেহো ৰাত্রি কেহোঁ অন্ধ।
কেহো দিবা ৰাত্রি তৈতে সমানে দেখন্ত ॥ ১৪ ॥
সংসাৰে আসক্তি যেহি সৰ্ব্বদাই অন্ধ
আত্মতত্ব জ্ঞান কিছু নাহি তাৰ লভ্য। ১৫ ॥
বহি দৃষ্টিবাগে মাত্র অন্তৰ নাচিনে।
অভ্যন্তৰ দৰ্শনে দেখয় ৰাত্রি দিনে ॥ ১৬ ॥
মনুষ্য অবশ্য জ্ঞানী তাক সত্য মানো।
কেবলে মনুষ্য জ্ঞানী নাহয় কথনো ॥ ১৭ ॥
পশু পক্ষী মৃগে জ্ঞান আছে যেহিমত।
মনুষ্যৰো সিমান সে আছয় নিতান্ত ॥ ১৮ ॥
মনুষ্যৰো আছে জ্ঞান যেন পক্ষী মৃগ।
পশ্বাদি তির্য্যগ যোনী আছে তেন ভূপ ॥ ১৯ ॥
জ্ঞান হেতু ঠোঁটে কৰি খুদকণ গুঁড়ি।
ক্ষুধাৰ্ত বৎসক খুৱাৱন্ত চঞ্চু ধৰি ॥ ২০ ॥
শুনা নৰসিংহ ভূপ কহো তব প্ৰতি।
বৃদ্ধ কালে অসময়ে ভৈলে হীন শক্তি ॥ ২১ ॥
আক পিণ্ড প্ৰাপ্তিআশা স্বৰ্গকামনায়।
ৰৌৰব নৰক হন্তে মুক্তিৰ উপায় ॥ ২২ ॥

এহি হেতু পুত্রে লোক কৰয় আপদাল ।
প্রতি উপকাৰ আশে কৰে প্রতিপাল ॥ ২৩ ॥
ইহা কিনা দেখ ৰায় মনুষ্য ভিতৰে ।
সর্ব্বদা চেষ্টিত লোক আত্ম উপকাৰে ॥ ২৪
জ্ঞান হেতু মনুষ্যয়ে সবাৰ বিশেষ ।
জ্ঞানহীন জন হয় পশুৰ সদৃশ ॥ ২৫ ॥
যদি কহ দাৰাপত্য পুত্রাদি দ্বাৰায় ।
নাসাধন্ত উপকাৰ আত্মাৰ পৰাই ॥ ২৬ ॥
তবে লোক মোহগর্ত্তে কিবা হেতু পৰে ।
বাস্তবিকে আত্ম উপকাৰ নাহি কৰে ॥ ২৭ ॥
কিন্তু নৃপ যেহি হৰি জগত স্রজিল ।
তাহাৰ আদেশে মহামোহ জনমিল ॥ ২৮ ॥
নিজ উপকাৰে সদাৰত যেহিজন ।
ব্যামোহিকা মায়া তাক কৰয় ধাৰণ ॥ ২৯ ॥
তুমি কোন মহাৰাজ স্বয়ং ভগবান ।
এহি মায়া জাল হন্তে নোহে পৰিত্রাণ ॥ ৩০
সিজনো বন্ধন ৰাজা ঘোৰ মায়া পাশে ।
নিজ বিভীষিকা মোহ নিজকে গৰাসে ॥ ৩১
মায়াবন্ধে বাৰম্বাৰ হোন্ত উতপন্ন ।
সংসাৰী হইয়া খেলা কৰে নাৰায়ণ ॥ ৩২ ॥

বিষ্ণুৰ মোহিনী শক্তি নাম মহামায়া ।
এহি মায়া সমস্ত ইন্দ্রিয় ৰূপ কায়া ॥ ৩৩ ॥
মায়াই প্ৰকৃতি বন্ধ অনন্ত ব্ৰহ্মাণ্ড ।
মায়া হীন পৰব্ৰহ্ম সচ্চিদ আনন্দ । ৩৪ ॥
সৰ্ব্বৈশ্বৰ্য্য পূৰ্ণ ইটো জ্ঞানৰ বিকাৰ ।
নিজ বলে সত্য জ্ঞান হৰে মনুষ্যৰ ॥ ৩৫ ॥
সৰ্ব্ব চৰাচৰ ইটো মায়াতে প্ৰবৰ্ত্ত ।
সেহি মায়া স্ৰজি আছে জগত সমস্ত ॥ ৩৬ ॥
মায়া সুপ্ৰসন্না ভৈলে মুকুতি মিলয় ।
মায়াই পৰম বিদ্যা মুক্তিহেতু বায় ॥ ৩৭ ॥
মায়াই সংসাৰ বন্ধ মুক্তিৰ ব্যাঘাত ।
ব্ৰহ্মাৰো ঈশ্বৰী মায়া জগত মোহন্ত ॥ ৩৮ ॥
মায়ায়ে মুকুতি দিয়ে মায়ায়ে বন্ধন ।
সমস্ত জগত মায়াময় হে ৰাজন ॥ ৩৯ ॥
ঋষি বাক্যে নৃপতি কহিলা পুনৰাই ।
কিবা ইটো মায়া দেৱ কহিবা বুজাই ॥ ৪০ ॥
কোন মহামায়া দেৱী কিবা কাৰ্য্য তাৰ ।
কোন বা সাত্তিৱী মায়া উদ্ভব বিকাৰ ॥ ৪১ ॥

( গৰ্ত্ত ) অষ্টোধনু সহস্ৰানি গৰ্ত্তিৰ্য্যাযাং নবিদ্যতে ইতি গৰ্ত্ত ।

কিবাৰূপ ধৰে মায়া কিৰূপ উদ্ভব ।
তাৰকাৰ্য্য ক্রিয়া বিস্তাৰিয়া কহা দেব ॥ ৪২
কি স্বভাব কিবাৰূপ কিমতে সম্ভব ।
শুনিবাক ইচ্ছা বাঢ়ে তাহাৰ প্রভাব ॥ ৪৩
ছিণ্ডিবাক পাৰো যদি সেহি মায়াপাশ ।
তোমাৰ প্রসাদে প্রভু মিটিবে প্রয়াস ॥ ৪৪
ঋষি নিগদতি ৰাজা কহিবো বিস্তৰি ।
সেহি মায়া নিত্যা কোটী ব্রহ্মাণ্ডাধিকাৰী ॥ ৪৫
মায়া ৰূপ বাসুদেব জগত প্রপঞ্চ ।
মুক্তি অর্থে বুদ্ধি মানে বুজয় তাৎপর্য্য ॥ ৪৬
যদি ইটো মায়া জন্ম কর্ম্ম বিৰহিত ।
তথাপি উৎপত্তি তাৰ শুনিছো বহুত ॥ ৪৭
দেবকাৰ্য্য সিদ্ধ হেতু আবির্ভাব হইলে ।
সর্ব্বলোকে সিকালে উৎপন্ন তাক বোলে ।
কিন্তু বেদমতে সর্ব্বব্যাপিকা শকতি ।
নিত্যা, চিদানন্দা, গুণাত্মিকা, জ্ঞান ভক্তি ॥ ৪৯
পদ্মকল্প অন্তে পূর্ব্বে হইলে প্রলয় ।
কৰিল অনন্ত শয্যা হৰি দয়াময় ॥ ৫০
একার্ণবে মগ্ন যেবে ভৈল ত্রিসংসাৰ ।
সর্ব্বভূত মহতত্ত্ব জলে একাকাৰ ॥ ৫১

চিৎ শক্তি লই পাছে দেব নাৰায়ণ ।
মহাশেষ শয্যোপৰি কৰিল শয়ন ॥
নিদ্ৰা নিমিলিত আখি বদন উপৰ ।
হাসি হাসি মুখখানি আনন্দ অধৰ ॥ ৫৩
নাহি চেষ্টা নাহি ক্রিয়া সুস্থিৰ বিৰাজ ।
মায়াৰ বিলাস নাহি অদ্বিতীয় সাজ ॥৫৪
শব্দস্পৰ্শ ৰসৰূপ কৰিল ধাৰণ ।
মহা ভূত সূক্ষ্মভূত দেহাত শোভন ॥৫৫
কাল শক্তি যোগ নিদ্ৰা পাৰ্শ্বত লইল ।
অনন্ত সহস্ৰ কাল শয়ন কৰিল ॥ ৫৬ ॥
ৰজোগুণী কাল নাভি কৰিয়া ভেদন ।
তাতে এক বিশ্বপদ্ম কৰিল সৃজন ॥ ৫৭ ॥
প্ৰকাশিল জলখান প্ৰদীপ্ত কিৰণ ।
সেহি পদ্মনালে ৰহে ইতিনি ভুবন ॥ ৫৮ ॥
তাতে নিজে ব্ৰহ্মাৰূপে প্ৰকাশ হইল ।
পদ্মোপৰে বসি চতুৰ্দ্দিগে নিহালিল ॥ ৫৯ ॥
জলে পদ্মগোট ৰহে কোনবা প্ৰকাৰে ।
সন্মুখে নাহেৰি কিছু দেখে চাৰি ধাৰে ॥৬০॥
চাৰি দিকে দেখি ভৈল চাৰিটী আনন ।
শিৰে জটা শোভে গাঙ্গিনীৰ পানী যেন ॥৬১॥

চাৰি মুখে চাৰি দিক কৰন্ত দৰ্শন ।
সৰ্ব্বদা ঘুৰন্ত বায়ু তৰঙ্গ ভীষণ ॥ ৬২ ॥
সৰ্ব্বদায়ে অন্ধকাৰ নাহিকে মিহিৰ ।
প্ৰলয় বলাহে গৰ্জ্জে শবদে অস্থিৰ ॥ ৬৩ ॥
বহিছে মেদিনী গ্ৰাসি তৰঙ্গ নিকৰ !
ভ্ৰমণ কৰয় যেন সুমেৰু শিখৰ ॥ ৬৪ ॥
এভীষণ কাল আৰু এভীষণ স্থানে ।
নাহি বুজে ব্ৰহ্ম দেব কিছু অনুমানে ॥ ৬৫
এহি ৰূপে চিন্তি দেব তথাতে আছন্ত ।
হেনকালে বিষ্ণু কৰ্ণমল ফেলিলন্ত ॥ ৬৬ ॥
প্ৰলয়ৰ জলে কণামাকৰী পৰিল ।
তাহে দুই গোট মহা অসুৰ জন্মিল ॥ ৬৭
কৰ্ণমল দুই ভাগ মৃদু যে কঠিন ।
কঠিনে কেটভ মৃদুঅংশে মধু জন্ম ॥ ৬৮ ॥
অতীব দুৰ্ব্বাৰ মধুকৈটভ হইল ।
জলক্ৰীড়া কৰি ক্ৰমে বাঢ়িবে লাগিল ॥ ৬৯
দৈবে একদিনে পথে ব্ৰহ্মাক দেখিল ।
শূন্য জলে ইটো কিবা বুলি খেদি গৈল ॥ ৭০
ব্ৰহ্মাক বধিবে লাগি আক্ৰান্ত কৰিল ।

মাৰ্কণ্ড বদতি ব্ৰহ্মা অসুৰ দেখিয়া।
ভয়তে বিষ্ণুক ডাকে কাকুতি কৰিয়া ॥ ৭২ ॥
ৰাখাহা কেশব মোক দানবে মাৰয়।
দোৰ্ঘোৰ অসুৰ মই তাক যোগ্য নয় ॥ ৭৩ ॥
কিন্তু হৰি ঘোৰ নিদ্ৰা আছে অভিভূত।
ব্ৰহ্মা আৰ্ত্তৰাৱে বিভু নাপাই সম্বিত ॥ ৭৪ ॥
দেখি ব্ৰহ্মাদেব হৰি প্ৰবোধ কাৰণ।
একচিত্তে কৰে যোগ মায়াক স্তবন ॥ ৭৫ ॥
হৰিনেত্ৰে স্থিতা বিষ্ণুনিদ্ৰা স্বৰূপিনী।
বিশ্বেশ্বৰী জগৎ স্থিতি সংহাৰ কাৰিণী ॥ ৭৬ ॥
সেহি যোগনিদ্ৰা স্তুতি কৰিবে ধৰিল।
কৃতাঞ্জলি পূটে ব্ৰহ্মা দেবীক ডাকিল ॥ ৭৭ ॥
চৈতন্য তেজস্বী বিষ্ণু নিদ্ৰাত আছই।
তুমি তুষ্ট হুই নিদ্ৰা ভাঙ্গা দয়াময়ী ॥ ৭৮ ॥
দেবতাৰ হবিৰ্দ্দানে তুমি স্বাহা ৰূপা।
পিতৃ যজ্ঞে স্বধা দৈব বসট্‌কাৰ ৰূপা ॥ ৭৯ ॥
হে দেবী তুমি সুধাৰূপে সৰ্ব্বাদৃতা।
হ্ৰস্ব দীৰ্ঘ প্লুত বৰ্গমধ্যে ত্ৰয়ান্বিতা ॥ ৮০ ॥
প্ৰণবত অৰ্দ্ধমাত্ৰা তুমি অনুচ্ছাৰ্য্যা।
গায়ত্ৰী স্বৰূপে তুমি সৰ্ব্বতে প্ৰসিদ্ধা ॥ ৮১ ॥

তুমি শক্তি সর্ব্বোত্তমা প্ৰকৃতি জননী।
সৃষ্টিস্থিতি পালয়িত্ৰী সংহাৰ কাৰিণী ॥ ৮২ ॥
ধৰিত্ৰী স্বৰূপে তুমি ধৰিছা জগত।
স্থিতিৰূপে পালি শেষ হৰেছা কালত ॥ ৮৩ ॥
মহাবিদ্যা মহামায়া তুমি মহাস্মৃতি।
মহামোহ ৰূপা মহাসুৰী সৰস্বতী ॥ ৮৪ ॥
ত্ৰিগুণা প্ৰকৃতি তুমি সৰ্ব্ব চৰাচৰে।
তুমি যমৰূপা কালৰাত্ৰি ভয়ঙ্কৰে ॥ ৮৫ ॥
প্ৰলয় স্বৰূপে তমোময় মহাৰাত্ৰি।
জগত মোহিনী তুমি দেবী মোহৰাত্ৰি ॥ ৮৬
লজ্জা বুদ্ধি, শ্ৰী তুমি সবাৰ ঈশ্বৰী।
পুষ্টি তুষ্টি শান্তি ক্ষান্তিৰূপা মহেশ্বৰী ॥ ৮৭
খড়্গিণী শূলিনী ঘোৰা গদিনী চক্ৰিনী।
শঙ্খিনী, চাপিনী, বান ভুষুণ্ডী ধাৰিণী ॥ ৮৮ ॥
তুমি সৌম্যৰূপা দেবী সাম্যৰ উপৰি।
জগত ভিতৰে তুমি সবাৰ সুন্দৰী ॥ ৮৯ ॥
শ্ৰেষ্ঠহন্তে তুমি শ্ৰেষ্ঠ ব্ৰহ্মাণ্ড ঈশ্বৰী।
সদসদাত্মিকা ভাবে আছা ব্যাপ্ত কৰি ॥৯০॥
সমস্ত শক্তিতে তুমি আছা বিদ্যমান।
সৰ্ব্বশক্তি ৰূপে তোমা কৰিছো প্ৰণাম ॥৯

কিশক্তি আমাৰ স্তূতি কৰিবো জননী ।
মায়াই মোহিত বিষ্ণু তোমাৰ কাৰুণী ॥ ৯২ ॥
সৃষ্টিস্থিতিলয়কৰ্ত্ৰী যেহি ভগবান ।
তাহাঙ্কো মোহিছা কৰো কিৰূপে স্তবন ॥ ৯৩
তন্দ্ৰা অভিভূত হৰি তুমি ধৰ্ষি আছা ।
কাৰ সাধ্য তোমা স্তব কৰিবে সহসা ॥ ৯৪ ॥
আমি শিব বিভু হৰি যত চৰাচৰ ।
তোমাতে উৎপত্তি মাতা সকল সংসাৰ ॥ ৯৫ ॥
নিজ গুণে তুষ্ট হুই আপন প্ৰভাৱে ।
মোহিয়োক মধুকৈটভক মহামায়ে ॥ ৯৬ ॥
প্ৰবোধ কৰাহা জগন্নাথ অচ্যুতক ।
অসুৰ বিনাশ হেতু শীঘ্ৰে জগায়োক ॥ ৯৭ ॥
মাৰ্কণ্ড বদতি ব্ৰহ্মা ইৰূপে স্তবিল ।
দেবীগুণ কীৰ্ত্তি গাহি প্ৰণাম কৰিল ॥ ৯৮
ব্ৰহ্মাস্তবে তুষ্ট হুই জগত জননী ।
যোগ নিদ্ৰা বিষ্ণুক এৰিল ততক্ষণি ॥ ৯৯ ॥
মুখ নেত্ৰ নাসা বাহু হৃদি বক্ষঃস্থল ।
মোহ নিদ্ৰা পৰিত্যাগি অন্তৰ হইল ॥ ১০০ ॥
নিষ্ক্ৰান্ত হুইয়া দেবী আকাশে ৰহিল ।
শেষ শয্যাহন্তে হৰি উথান কৰিল ॥ ১০১ ॥

ভণয় গোপাল দেব ইষ্ট গুৰু পদে।
হৰি নাম লই তৰা সংসাৰ বিপদে ॥ ৯৭ ॥
ব্ৰহ্ম স্তুতি নাম ইটো অতীব উত্তম।
শ্ৰবণে কীৰ্ত্তনে কৰে জ্ঞান সমাৰ্জ্জন ॥ ১০৩ ॥

——:0:——

## অথ বিষ্ণুৰ সহিত মধুকৈটভৰ বাহু যুদ্ধ।

## ছবি।

একাৰ্ণব জলেস্থিত, অনন্ত শয্যাশায়ীত,
হৰি জাগি নেত্ৰ বঢ়াই চাইল। ১।
দুৰাত্মা অসুৰ দুই, ক্ৰোধে ৰক্ত নেত্ৰ হুই,
ব্ৰহ্মাক মাৰিবে খেদি আইল। ২।
মধুকৈটভ দুইজন, অতি বীৰ্য্য পৰাক্ৰম,
ক্ৰোধে যেন ওবফুল নেত্ৰ। ৩।
ব্ৰহ্মাক মাৰিবে লাগি, হইছে দুয়ো উদ্যোগী,
ভয়ে ব্ৰহ্মাদেৰ মহাত্ৰ্যস্ত ॥ ৪ ॥
দেখি বিষ্ণু আগবাঢ়ি, অসুৰক খেদা মাৰি
নাইস বুলি আগভেণ্টি লৈল। ৫।

কিশক্তি আমাৰ স্তুতি কৰিবো জননী।
মায়াই মোহিত বিষ্ণু তোমাৰ কাৰুণী ॥ ৯২ ॥
সৃষ্টিস্থিতিলয়কৰ্ত্ৰী যেহি ভগবান।
তাহাঙ্কো মোহিছা কৰো কিৰূপে স্তবন ॥ ৯৩
তন্দ্ৰা অভিভূত হৰি তুমি ধৰ্ম্মি আছা।
কাৰ সাধ্য তোমা স্তব কৰিবে সহসা ॥ ৯৪ ॥
আমি শিব বিভু হৰি যত চৰাচৰ।
তোমাতে উৎপত্তি মাতা সকল সংসাৰ ॥ ৯৫ ॥
নিজ গুণে তুষ্ট হুই আপন প্ৰভাৱে।
মোহিয়োক মধুকৈটভক মহামায়ে ॥ ৯৬ ॥
প্ৰবোধ কৰাহা জগন্নাথ অচ্যুতক।
অসুৰ বিনাশ হেতু শীঘ্ৰে জগায়োক ॥ ৯৭ ॥
মাৰ্কণ্ড বদতি ব্ৰহ্মা ইৰূপে স্তবিল।
দেবীগুণ কীৰ্ত্তি গাহি প্ৰণাম কৰিল ॥ ৯৮
ব্ৰহ্মাস্তবে তুষ্ট হুই জগত জননী।
যোগ নিদ্ৰা বিষ্ণুক এৰিল ততক্ষণি ॥ ৯৯ ॥
মুখ নেত্ৰ নাসা বাহু হৃদি বক্ষঃস্থল।
মোহ নিদ্ৰা পৰিত্যাগি অন্তৰ হইল ॥ ১০০ ॥
নিষ্ক্ৰান্ত হুইয়া দেবী আকাশে ৰহিল।

ভণয় গোপাল দেব ইষ্ট গুৰু পদে।
হৰি নাম লই তৰা সংসাৰ বিপদে ॥ ৯৭ ॥
ব্ৰহ্ম স্তুতি নাম ইটো অতীব উত্তম।
শ্ৰবণে কীৰ্ত্তনে কৰে জ্ঞান সমাৰ্জ্জন ॥ ১০৩ ॥

——:0:——

## অথ বিষ্ণুৰ সহিত মধুকৈটভৰ বাহু যুদ্ধ।

### ছবি।

একাৰ্ণব জলেস্থিত, অনন্ত শয্যাশায়ীত
হৰি জাগি নেত্ৰ বঢ়াই চাইল। ১।
দুৰাত্মা অসুৰ দুই, ক্ৰোধে ৰক্ত নেত্ৰ হুই
ব্ৰহ্মাক মাৰিবে খেদি আইল। ২।
মধুকৈটভ দুইজন, অতি বীৰ্য্য পৰাক্ৰম
ক্ৰোধে যেন ওৰফুল নেত্ৰ। ৩।
ব্ৰহ্মাক মাৰিবে লাগি, হইছে দুয়ো উদ্যোগী
ভয়ে ব্ৰহ্মাদেৱ মহাত্ৰাস্ত ॥ ৪ ॥
দেখি বিষ্ণু আগবাঢ়ি, অসুৰক খেদা মাৰি

দুই হানক আক্কোৱালি, ধৰে হৰি মহাবলী,
তিন জনে বাহু যুদ্ধ ভৈল ॥ ৬ ॥
ধৰা ধৰি হুড়া হুড়ি, জলোপৰে ঝাৰা ঝৰি,
জাত্তি ধৰি ভৰি ভৰি চান্দে । ৭ ।
মুণ্ডে মুণ্ডে হাতে হাত, বজ্র শব্দ ঠাট ঠাট,
ভুজে ভুজে যুদ্ধ মাল বান্ধে ॥ ৮ ॥
কোমৰে কোমৰে ধৰি, আজোৰা আজুৰি কৰি,
কতো হিয়া হিয়া ফাণ্ডি মাৰে । ৯ ।
কভু হৰি উপৰত, অসুৰ পড়ে তলত,
বগৰা বাগৰি জলোপৰে ॥ ১০ ॥
ভৰি দিবে নাহি স্থল, দশ দিগ পূৰ্ণ জল,
নিজ তেজে হৰি তাত যুজে । ১১ ।
অসুৰো বিষ্ণুৰ অংশ, কৰ্ণ নলে অবতংশ,
এতেকেসে সমানে বিৰাজে ॥ ১২ ॥
শীহু ঘৰিয়াল হেন, ডুব দিয়ে কতো ক্ষণ,
কতো উঠে জলৰ উপৰে । ১৩ ।
কৰন্ত আক্ৰান্ত অতি, পৰম চিন্ময় শক্তি,
খলক লাগিল দিগান্তৰে ॥ ১৪ ॥
নাহি হয় দিবা ৰাতি, প্ৰলয়ৰ জল অতি,
ধুৱলী কুৱলী জগৎ থান । ১৫ ।

নাহি স্বৰ্গ ভূমণ্ডল, স্বৰ্লোক আদি পাতাল,
মহাবাৰি অতীব ভীষণ । ১৬ ।
একে প্ৰলয়ৰ বাৰি, ঢৌ খেলে দিগান্তৰি,
হড় হড় বলাহে গৰ্জ্জন । ১৭ ।
তাতে তিনি জন যুদ্ধে, ভীষণ শবদ উঠে,
ব্ৰহ্মাদেব সবিস্ময় মন । ১৮ ।
যুদ্ধ ভৈল ভয়ঙ্কৰ, সহস্ৰ পঞ্চ বৎসৰ,
কাকো কেৱে নপাৰে জিনিবে । ১৯ ।
বিষ্ণু তেজে উৎপন্ন, সিও দৈত্য দুইজন,
কোন ৰূপে সহজে মাৰিবে ॥ ১৮ ॥
পঞ্চম সহস্ৰ বৰ্ষ, বাহু যুদ্ধে ঘোষত্তৰ,
নিৰূপায় হৈল ভগবান । ২১ ।
য[illegible] উপায় কৰে, অসুৰ তবু নামৰে,
মনে মনে চিন্তে নাৰায়ণ ॥ ২২ ॥
কৰিলন্ত দেবী স্তুতি, তুষ্ট ভৈল ভগবতী,
শূন্য মাৰ্গে দিল দৰশন ॥ ২৩ ॥
আনন্দ লভিল হৰি, আকাশে দেবীক হেৰি,
দুষ্ট দৈত্য হইবে নিধন ॥ ২৪ ॥
মহামায়া মোহ জালে, মোহিলন্ত সেহি কালে,
মোহে মুগ্ধ দানব কহিল ॥ ২৫ ॥

দুই হানৰ বুদ্ধি জ্ঞান, তাবক্ষণে ভৈল চূর্ণ,
বিষ্ণু প্রতি ডাকিয়া বুলিল ॥ ২৬ ॥
তোমাৰ যুদ্ধত বড়, প্রীত ভৈলো মূৰ হৰ,
তুমি বটে যুদ্ধ যোগ্য বড় ॥ ২৭ ॥
যিবা ইচ্ছা লহ বৰ, দিবো তোক গদাধৰ,
বড় প্রীতি পাইলো যুদ্ধে তোৰ ॥ ২৮ ॥

———:0:———

অথ মধুকৈটভ বধ।

## পদ।

হেন শুনি দৈত্য বাণী দেৱ জগন্নাথ।
কহন্ত হাসিয়া যদি কৰিবা প্রসাদ ॥ ১ ॥
তোবা দুই জন যেন মোৰ বধ্য হয়ো।
অন্য নামাগোহো একো এহিবৰ চায়ো ॥ ২ ॥
অসুৰে কহন্ত দিলো মাৰাহা আমাক।
কিন্তু জলমধ্যে নহে স্থলে মাৰিয়োক ॥ ৩ ॥
একাৰ্ণৱ জল থান ভৰি পূৰি আছে।
স্থল বিচাৰিয়া বধ কৰিয়ো হৰিযে ॥ ৪ ॥

স্থলবিনা জলমধ্যে মৃত্যু নাহইব ।
এতেকতে স্থল খুজি আমাক বধিব ॥ ৫ ॥
তথাস্তু বুলিয়া হৰি নিজ ঊৰুস্থলে ।
কোলাপাতি দানবক তথাত বৈসালে ॥ ৬ ॥
চক্ৰাঘাতে দুই দৈত্য নিধন কৰিল ।
প্ৰলয়ৰ জলে দুই দেহা ফেলাইল ॥ ৭ ॥
সি দুইৰ মেদমাংসে হইল ধৰণী ।
এতেকেসে পৃথিবীক বোলয় মেদিনী ॥ ৮ ॥
পৃথিবীৰ কোমলাংশ মধুৰ মাংসত ।
কৈটভৰ মাংসে কঠিনাংশ ভৈল জাত ॥ ৯ ॥
এহি এক মায়া কাৰ্য্য কহিলো তোমাত ।
কাৰ্য্য কাৰণত মাত্ৰ হোৱে আবিভূৰ্ত ।
অসুৰ সংহৰি পাছে দেব নাৰায়ণ ।
ব্ৰহ্মাক দিলন্ত বৰ সৃষ্টিৰ কাৰণ ॥ ১২ ॥
বৰদিয়া অন্তৰ্দ্ধ্যান হইল তথাত ।
সৃষ্টি লাগি পদ্মযোনী হইল চিন্তিত ॥ ১৩ ॥
ভীষণ প্ৰলয় বায়ু সদা ঘূৰ্ণমান ।
প্ৰলয় তৰঙ্গ উঠে সুমেৰু সমান ॥ ১৪ ॥
চতুৰ্দ্দিগে অন্ধকাৰ বিকৃত বিৰূপ ।
মৃত্যুকালে জীব যেন অন্ধকাৰাবৃত ॥ ১৫ ॥

হেন প্ৰলয়ৰ জলে ভাসিছে কমল ।
তাহাতে বসিয়া বিধি চিন্তিত কেবল ॥ ১৬ ॥

———:0:———

## অথ সংক্ষেপ সৃষ্টি প্ৰকৰণ ॥

### পদ ।

জৈমিনি কহন্ত অবা ধৰ্ম্মপক্ষীগণ ।
পিতাৰ প্ৰসাদে তোৰা সবেও জ্ঞানবান ॥ ১ ॥
যদি মোৰ প্ৰতি অনুগ্ৰহ কৰা দেব ।
সৃষ্টি বিষয়ক কিছু আছয় শ্ৰোতব্য ॥ ২ ॥
প্ৰলয়ে সমস্ত সৃষ্টি হইলে বিনাশ ।
বিস্তাৰি কহিয়ো পুনু কিৰূপে প্ৰকাশ ॥ ৩ ॥
ধৰ্ম্মপক্ষী বদতি যে শুনিয়ো জৈমিনি ।
ভাগুৰীত কহিলা মাৰ্কণ্ড মহামুনি ॥ ৪ ॥
প্ৰলয়ৰ জলে পদ্ম ৰক্ষা কৰিবাক ।
বিজ্ঞান শক্তিয়ে ব্ৰহ্মা পিলন্ত জলক ॥ ৫ ॥
স্পৰ্শী বায়ু দ্বাৰা জল হইলে শোষিত ।
জলৰ বিকৃতে গন্ধমাত্ৰা উৎপাদিত ॥ ৬ ॥

গন্ধ গুণ বিশিষ্ট পৃথিবী জন্ম হয় ।
সৃষ্টি কৰিবাক ব্ৰহ্মা কৰিল নিশ্চয় ॥ ৭ ॥
উদধি শোষিল যদি বায়ু ভৈল স্থিৰ ।
পদ্মনালে প্ৰবেশিল আপোন শৰীৰ ॥ ৮ ॥
নিজদেহ পদ্মনালে কৰাই প্ৰবেশ ।
তিনখণ্ডে বিভাজিত কৰে অবশেষ ॥ ৯ ॥
সেহি নালে ত্ৰিভুবন হইল নিৰ্ম্মাণ ।
তাৰমধ্যে ৰহিল ভুবন চৌদ্দ খান ॥ ১০ ॥
তল খণ্ডে অতল, বিতল, ৰসাতল ।
সুতল, নিতল, তলাতল, যে পাতাল ॥ ১১ ॥
মধ্যখণ্ডে পৃথিবী আছয় অবস্থান ।
পঞ্চাশৎ কোটী যোজন তাৰ আয়তন ॥ ১২ ॥
তাত সপ্তদ্বীপ ক্ৰমে শুনহ বৰ্ণন ।
জম্বু, প্লক্ষ, কুশ, ক্ৰৌঞ্চ এহি চাৰি গণ ॥ ১৩ ॥
পুষ্কৰ, শাক, শাল্মল, আদি সপ্ত খণ্ড ।
সপ্তদ্বীপ সপ্তাম্বুধি দ্বাৰাই বেষ্টিত ॥ ১৪ ॥
একহন্তে পৰাপৰ সমস্ত দ্বিগুণ ।
লৱণেক্ষু সুৰা, সৰ্পি, দধি, দুগ্ধ ফেন ॥ ১৫ ॥

* জল সাগৰ ।

জলসহ সপ্তখণ্ড সমুদ্র আছয় ।
তাৰ মধ্যে জম্বুদ্বীপ সৰ্ব্বশ্ৰেষ্ঠ হয় ॥ ১৬ ॥
জম্বুদ্বীপ কৰ্ম্ম ভূমি অতিপূণ্যবান ।
কৰ্ম্ম কৰি নৰে আত ফল প্ৰাপ্তি হন ॥ ১৭ ॥
দীৰ্ঘে প্ৰস্থে একলক্ষ যোজন প্ৰমাণ ।
এই দ্বীপ নৱভাগে নৱ বৰ্ষ গণ ॥ ১৮ ॥
পূৰ্ব্বদিকে ভদ্ৰাশ্ব পশ্চিমে কেতুমাল ।
মধ্যস্থলে ইলাবৃত সুন্দৰ শ্যামল ॥ ১৯ ॥
ভদ্ৰাশ্ব ও কেতুমাল সৰ্ব্বক্ষুদ্ৰ হয় ।
সহস্ৰ যোজন মাত্ৰ বিস্তাৰে আছয় ॥ ২০ ॥
সীমা নিৰ্দ্ধাৰণ হেতু অষ্ট কুলাচল ॥
নৱ বৰ্ষে অষ্ট সীমা বান্ধিল কেবল ॥ ২১ ॥
সৰ্ব্বশ্ৰেষ্ঠ ইলাবৃত জম্বু মধ্যস্থল ।
মহাগিৰি সুমেৰু তাহাক ধৰিছয় ॥ ২২ ॥
চৌৰাশি সহস্ৰ সিটো যোজন উচ্ছৃত ।
ষোড়শ সহস্ৰ নিম্নে প্ৰস্থে সুবিস্তৃত ॥ ২৩ ॥
ইলাবৃত পূনু তিনিভাগ বৰাবৰ ।
কুৰু হিৰন্ময় আৰু ৰম্যক নগৰ ॥ ২৪ ॥
নীল, শ্বেত, শৃঙ্গবান পৰ্ব্বত তিনখান ।
পশ্চিম দিগত আছে কৰি ব্যবধান ॥ ২৫ ॥

তাহাৰ দক্ষিণে আৰু আছে তিনি গিৰি।
হিমালয় হেমকুট নিষধ নাম ধাৰী ॥ ৩৬ ॥
মেৰু পূৰ্ব্বদিক্‌বিভাগ শুক্ল পীত ৰক্ত।
তদুপৰি অষ্টদিকে ব্ৰাহ্মণাদি ক্ষত্ৰ ॥ ২৭ ॥
তদুপৰি ইন্দ্ৰ আদি লোক পাল গণ।
মধ্যস্থলে ব্ৰহ্মসভা আছে সুশোভন ॥ ২৮ ॥
আড়ে দীৰ্ঘে চতুৰ্দ্দশ সহস্ৰ যোজন।
উত্তম ব্ৰহ্মাৰ সভা নুহিকা তুলন ॥ ২৯ ॥
তাৰ অধোদেশে গন্ধ মাদন পৰ্ব্বত।
অযুত যোজন উৰ্দ্ধ বিষ্কুম্ভ সহিত ॥ ৩০ ॥
তাহাতে কেতুপাদপ কেতুগণ থাকে।
জম্বুনদী প্ৰবাহিত হয় তথাহন্তে ॥ ৩১ ॥
গন্ধমাদনত জন্ম জম্বু বৃক্ষচয়।
হস্তীৰ সমান একো একো ফল হয় ॥ ৩২ ॥
জম্বুফল নিঃসৰিয়া জম্বুনদী বহে।
অমৃত সমান ধাৰে সমুদ্ৰে প্ৰবাহে ॥ ৩৩ ॥
হিমালয় দক্ষিণত আছয় ভাৰত।
হৰিবৰ্ষ কিম্পুৰুষ আছন্ত ইহাত ॥ ৩৪ ॥
প্ৰাচ্যে কেতুমাল, পশ্চিমত গন্ধমাদন।
পাৰ্শ্বে ভদ্ৰাশ্বক পূৰ আছে সৰ্ব্বক্ষণ ॥ ৩৫ ॥

ইলাবৃত উত্তৰত সমুদ্ৰ চলয় ।
মধ্যস্থলে মেৰুচাৰি গিৰি বেঢ়িছয় ॥ ৩৬ ॥
চাৰি দিকে চাৰিটী উদ্যান কল্পতৰু ।
চৈত্ৰৰথ বৈত্ৰাজ নন্দন সবিত্ৰাৰু ॥ ৩৭ ॥
সুপাৰ্শ্ব কুমুদ আৰু সুমেৰু মন্দৰ ।
এহি চাৰিখান গিৰি তাত শোভা কৰ ॥ ৩৮
সুমেৰুৰ শিৰোভাগে মহাব্ৰহ্ম পূৰী ।
স্বৰ্গ আদি অষ্টলোক ৰহে সাৰি সাৰি ॥ ৪৮ ॥
জম্বুদ্বীপে জম্বু বৃক্ষনাম সিকাৰণ ।
সংক্ষেপতে আমি ইহা কৰিলো কীৰ্ত্তন ॥ ৪০ ॥
কিম্পূৰুষাদি অন্য খণ্ডে উদ্ভিদৰ জল ।
মেঘহন্তে জল মাত্ৰ ভাৰতে কেবল ॥ ৪১ ॥
ভাৰতত চাৰিযুগ হয় বৰ্ত্তমান ।
মনুষ্যৰ আয়ু হয় সিৰূপে গণন ॥ ৪২
এক দুই তিনি চাৰি শত বৰ্ষ পাই ।
স্থানে স্থানে নৰজাতি জীৱিত থাকই ॥ ৪৩ ॥
এখনে শুনহ ব্ৰহ্মাদিন পৰিমাণ ॥
বংশ মন্বন্তৰ কিছু কৰিবো কীৰ্ত্তন ॥ ৪৪ ॥

* কিম্পুৰুষ চীনৰদক্ষিণ

মনুষ্যৰ চাৰিযুগে দেব একযুগ ।
ইৰূপে সহস্ৰ যুগে ব্ৰহ্ম দিন ভোগ ॥ ৪৫ ॥
দিবসৰ পৰিমাণ ৰাত্ৰিৰ সমান ।
দিবসে সৃজন কৰে ৰাত্ৰিতে শয়ন ॥ ৪৬ ॥
শয়নত স্বৰ্গ আদি ত্ৰিলোক বিনষ্ট ।
নৈমিত্ত প্ৰলয় বুলি পণ্ডিতে কহন্ত ॥ ৪৭ ॥
মনু সৃষ্টিহেতু ব্ৰহ্মা মনত চিন্তিয়া ।
নিজেই হইল মনুৰূপে প্ৰকাশিয়া ॥ ৩৮ ॥
কটিহন্তে উৰ্দ্ধদেহ পুৰুষ আকাৰ ।
অধোভাগ হইলন্ত নাৰী ৰূপ ধৰ ॥ ৪৯ ॥
মনুভৈল স্বয়ম্ভুব, নাৰা শতৰূপা ।
সৃষ্টি শক্তি দিল দুইকো ব্ৰহ্মা কৰি কৃপা ॥ ৫০
এহি আদি নাথ মনু সৃষ্টিৰ কাৰণ ।
ক্ৰমে ক্ৰমে নৰ সৃষ্টি হইল বৰ্দ্ধন ॥ ৫১ ॥
একমনু ভোগ কাল একাত্তৰি যুগ ।
মনুষ্য প্ৰমাণে শুন বৰ্ষ সংখ্যা ভোগ ॥ ৫২
ত্ৰিংশৎ কোটি সপ্তষষ্ঠী নিযুত বিংশ হাজাৰ ।
মনুষ্য প্ৰমাণে এক হয় মন্বন্তৰ ॥ ৫৩ ॥
চতুৰ্দ্দশ মনু ব্ৰহ্মা দিবসত ক্ষয় ।
এহিৰূপে শতবৰ্ষ ব্ৰহ্মা আয়ু পায় ॥ ৬৪ ॥

শতেক অন্তৰে ব্ৰহ্মা সহ নষ্ট হয় ।
মহা প্ৰলয় বুলি আক জ্ঞানীয়ে কহয় ॥ ৫৫ ॥
স্বয়ম্ভুব মনু দিনে বৰাহ অবতাৰ ।
দন্তৰ অগ্ৰত ধৰা কৰিল উদ্ধাৰ ॥ ৫৬ ॥
গদাঘাতে হিৰণ্যাক্ষ, কৰিল সংহাৰ ।
মাধবক তাৰ ভ্ৰাতৃ খুজিল অপাৰ ॥ ৫৭ ॥
ভ্ৰাতৃ বৈৰী বুলি তিনি লোক বিচাৰিল ।
ভক্ত প্ৰহ্লাদৰ বাক্যে স্তম্ভত ওলাইলা ॥ ৫৮ ॥
নৰসিংহ ৰূপে হিয়া বিদাৰিল তাৰ ।
প্ৰহ্লাদক ৰাজ্য দিয়া গৈল মুৰহৰ ॥ ৫৯ ॥
ব্ৰহ্মপুত্ৰ নিঋতিৰ ভাৰ্য্যা অলক্ষীত ।
চতুৰ্দ্দশ ক্ৰুৰ পাপ হইল উদ্ভুত ॥ ৬০ ॥
ইন্দ্ৰিয় বিকাৰ কৰাই জীবদেহে থাকি ।
দুঃসহ বুলিয়া এক অতীব প্ৰতাপী ॥ ৬১ ॥
পুৰুষ দেহত এহিগোট কৰে বাস ।
সৰ্ব্বদা ক্ষুধাৰ্ত্ত নগ্ন চেড়া ফটা বাস ॥ ৬২ ॥
কাউৰী সমান ডাক বিকৃত দশন ।
ক্ষুধা লাগি ব্ৰহ্মা স্থানে কৰিল ক্ৰন্দন ॥ ৬৩ ॥
নিত্য ক্ৰিয়া-হীন যেই পুৰুষ হইবে ।
বিস্ফোটক বস্ত্ৰ তাৰ তমিত্ত পিন্ধিবে ॥ ৬৪ ॥

ঘাৱ লাগি যাৰ দেহে পোক পৰিয়াছে ।
কুকুৰে দেখিলে তাক তুমি খায়ো পাছে ॥ ৬৫ ॥

———o———

## গৃহযক্ষ প্ৰেতত্ব কথন ।

ভগ্ন ভাণ্ডে ৰাখে বস্তু ঢাকনি বিহীন ।
উচ্ছিষ্ট অপক্ক অসংস্কৃত যেহি অন্ন ॥
ভগ্নাসনে ভগ্নপাত্রে যেহি অন্ন খাই ।
ৰজঃস্বলা নাৰী ভুক্ত গীত বাদ্যে খাই ॥ ৬৭ ॥
ইসব দ্রব্যত প্ৰেত তোমা অধিকাৰ ।
আৰু কিছু কহোঁ শুনা তোমাৰ আহাৰ ॥ ৬৮ ॥
কন্যাদান শুল্কে যেহি কাৰ্য্য সমাপিবে ।
অবিধি পূৰ্ব্বকে যেহি কাণ্ড ক্রিয়া হবে ॥ ৬৯ ॥
ক্রুদ্ধ আৰ্ত্ত দুষ্ট লোক যেহি দান দিবে ।
পুৰ্ণভবা নাৰী যেহি কাৰ্য্যক সাধিবে ॥ ৭০ ॥
ইসবে তোমাৰ যক্ষ হইবেক পুষ্টি ।
তাৰ পৰে শুনা তোমা থকা স্থান স্থিতি ॥ ৭১ ॥
গুৰ্ব্বিণী গমন কৰে সন্ধ্যা সেবা নাহি ।

নিত্য গৃহ কলহ মিছা পাক ভেদ ।
গৰু পোষি প্ৰতিপাল নাকৰয় মূঢ় ॥ ৭৩ ॥
সন্ধ্যাকালে যেহি গৃহ সৰা পোচা নহে ।
বৃথা উপবাস দ্যুত ক্ৰীড়া অহৰহে ॥ ৭৪ ॥
যেহি গৃহ জাবৰণী লতাপতা পূৰ্ণ ।
পুনৰ্ভূ ৰমণী বাস উঁই মাটি চূৰ্ণ ॥ ৭৫ ॥
যেই ঘৰে পাঞ্চ পুৰুষ ত্ৰিতয় ৰমণী ।
তিনগুটী গৰু অন্ধকাৰ বিনা অগ্নি ॥ ৭৬ ॥
এক ছাগ, তিন গৰু, পঞ্চটী মহিষ ।
দুইটী চুৰঁৰী পশু ছয়গোটা অশ্ব ॥ ৭৭ ॥
সপ্ত হস্তী যেহি ঘৰে কৰিছে নিবাস ।
শীঘ্ৰ তুমি সেহি ঘৰ কৰিয়ো গৰাস ॥ ৭৮ ॥
যেই গৃহে দা কোদাল খণ্টিস্থালি আদি
মুষল, উৰাল, উডুম্বৰ, ধান্য, কাঞ্চি ॥ ৭৯ ॥
সিচৰি বিচৰি হই পড়িয়া থাকয় ।
যেহি ঘৰে স্ত্ৰীলোকৰ মন্ত্ৰণা চলয় ॥ ৮০ ॥
হেঁতায় অগ্নি দিয়া কৰে চৰুৰ ঢাকনী ।
উদঙ্গে থাকয় চৰু তলিয়া বিহনি ॥ ৮১ ॥
ইসব স্থানত প্ৰেত তুমি কৰা বাস ।
লিপাপোচা শুদ্ধ ঘৰে তোমাৰ নৈৰাশ ॥৮২॥

এহিৰূপে কহি ব্ৰহ্মা অন্তৰ্দ্ধ্যান ভৈল ॥
সেহিমতে প্ৰেত বাস কৰিবে লাগিল ॥ ৮৩

——:0:——

## অথ স্বাৰোচিষ মন্বন্তৰে মহিষাসুৰ উপাখ্যান ।

মাৰ্কণ্ড বদতি মুনি শুনিয়ো ক্ৰৌঞ্চুকী ।
প্ৰতি মন্বন্তৰে নব ইন্দ্ৰ যজ্ঞ ভূকী ॥ ১ ॥
সৰ্ব্বে সহস্ৰাক্ষ বজ্ৰধাৰী পুৰন্দৰ ।
শৃঙ্গধাৰী গজগামী যাজ্ঞিক তৎপৰ ॥ ২ ॥
স্বাৰোচিষান্তৰে পূৰ্ব্বে পুৰন্দৰ নামে ।
ত্ৰিলোকাধিপতি ইন্দ্ৰ ৰহে স্বৰ্গধামে ॥ ৩॥
সিকালে মহিষ নামে অসুৰ জন্মিল ।
জম্ভাসুৰ বীৰ্য্যে জাত মহিষীত ভৈল ॥ ৪ ॥
পুত্ৰলাগি জম্ভাসুৰ শিৱক স্তপিল ।
তপে তুষ্টহই শিব আবিৰ্ভূ'ত ভৈল ॥ ৫ ॥
যাহাঁলাগে বৰ মাগ শুন দৈত্য নাথ ।
মাগিলন্ত বৰ দৈত্য যুড়ি দুই হাত ॥ ৬ ॥
দৈত্যকহে দেব যদি মোক দিবা বৰ ।
ত্ৰিলোক বিজয়ী এক পাইবো কুমাৰ ॥ ৭ ॥

তথাস্তু বুলিয়া শিব অন্তৰ্দ্ধ্যান ভৈল ।
অসুৰ আনন্দ মনে বিহৰিবে লৈল ॥ ৮ ॥
ঋতুমতী মহিষী এক সৰোবৰ তীৰে ।
অনঙ্গে পীড়িতা তথা আনন্দে বিহৰে ॥ ৯ ॥
তৃণবন খাই পশু বিহৰি ফুৰন্ত ।
তপ নিবৰ্ত্তিয়া জম্ভাসুৰে দেখিলন্ত ॥ ১৭ ॥
বলে ধৰি মহিষীক শৃঙ্গাৰ কৰিল ।
দৈব নিৰ্ব্বন্ধনে তাৰ গৰ্ভ সঞ্চাৰিল ॥ ১১ ॥
হেনকালে দেবৰাজ পৰিশ্ৰুত ভৈল ।
ত্ৰিলোক বিজয়ী পুত্ৰ শিব বৰ দিল ॥ ১২ ॥
স্বৰ্গ কাঢ়িলৈবে ইন্দ্ৰ মনে ভয় পাই ।
পুত্ৰ নাজন্মিতে তাক মাৰিবে লাগই ॥ ১৩ ॥
বজ্ৰ ধৰি সুৰপতি তথাকে আসিল ।
ঘোৰ বজ্ৰাঘাতে জম্ভাসুৰক বধিল ॥ ১৪ ॥
শিব বাক্যে মহিষী হইল গৰ্ভবতী ।
প্ৰসবিল পুত্ৰ এক দুৰ্ব্বাৰ শকতি ॥ ১৫ ॥
কামৰূপী মহাবীৰ্য্য ত্ৰিলোক বিজয় ।
সমগ্ৰ পৃথিবী একছত্ৰা কৰি লয় ॥ ১৬ ॥
পৃথিবীৰ যত মহাবলী বীৰ্য্যগণ ।
ক্ৰমে আসি তাৰ সঙ্গে হইলা মিলন ॥ ১৭ ॥

সাগৰান্ত ধৰণী কৰিয়া ছত্ৰ তল ।
স্বৰ্গ কাঢ়িলৈবে লাগি তাৰ মন ভৈল ॥ ১৮ ॥
স্বসৈন্যেতে অম্ৰাবতী কৰিল গমন ।
ইন্দ্ৰসমে ঘটিল শতবৰ্ষ ঘোৰ ৰণ ॥ ১৯ ॥
দেবাসুৰ যুদ্ধ পূৰ্ণ শতেক বৎসৰ ।
দানবে মহিষাসুৰ দেবে পুৰন্দৰ ॥ ২০ ॥
মাৰ্কণ্ডেয় বদতি শুনিয়ো অতঃ পৰ ।
ঘটিল বিষম যুদ্ধ দেব অসুৰৰ ॥ ২১ ॥
সেহি যুদ্ধে মহাবীৰ্য্য অসুৰ সকল ।
পৰাজয় কৰিলন্ত সবে আখণ্ডল ॥ ২২ ॥
অম্ৰাৱতী কাঢ়ি লৈল নিজে ইন্দ্ৰ ভৈল ।
ছদ্মবেশে দেবগণ পৃথিবী ভ্ৰমিল ॥ ২৩ ॥
বহুকাল পৃথিবীত ভ্ৰমি দেবচয় ।
সকলে মিলিয়া ব্ৰহ্মা সমীপে চলয় ॥ ২৪ ॥
মহিষ দৌৰাত্ম্য ব্ৰহ্মা আগে নিবেদিল ।
ব্ৰহ্মা আগে কৰি হৰিহৰ স্থানে গৈল ॥ ২৫ ॥
পৰাজিত দেবসবে ব্ৰহ্মাৰ সহিত ।
ক্ষীৰোদে বিষ্ণুৰ স্থানে হৈল উপনীত ॥ ২৬ ॥

---

দেবাসুৰ শতবৰ্ষ যুদ্ধ শ্ৰীদেবী ভাগৱতে
পঞ্চম স্কন্ধে বিশদৰূপে বৰ্ণিত আছে ॥

ব্ৰহ্মাক প্ৰমুক্ষে দেব সমস্ত দেখিয়া ।
আগমন বাৰ্ত্তা হৰি পুছন্ত হাসিয়া ॥ ২৭ ॥
দেবগণ বোলে প্ৰভু কাৰ্য্য আথান্তৰ ।
জম্ভাসুৰ বীৰ্য্যে জাত মহিষ দুৰ্ব্বাৰ ॥ ২৮ ॥
ক্ৰমে মহাবীৰ্য্যবান যতেক দানব ।
স্বৰ্গমৰ্ত্য পাতালে আছিল যত সব ॥ ২৯ ॥
নিজ বীৰ্য্যে সবাহাকে একত্ৰ কৰিয়া ।
স্বৰ্গক আবৰি লৈল আক্ৰান্ত কৰিয়া ॥ ৩০ ॥
শতেক বৎসৰ ধৰি কৰে ঘোৰ ৰণ ।
শেষে কাঢ়িলৈল সবে দেবৰভুবন ॥ ৩১ ॥
দৌৰাত্ম্য কৰিছে দুষ্ট সবে অমৰক ।
খণ্ডিছে দেৱতা নাম দিছে ঘোৰসেক ॥ ৩২ ॥
দুৰন্ত দানব অতি বলিষ্ঠ দুৰ্ব্বাৰ ।
অতি ভয়ানক বীৰ মায়াৰ আধাৰ ॥ ৩৩ ॥
বিষ্ণুৰ আগত দেবগণ নিবেদিল ।
মহিষৰ চেষ্টা মানে সকল কহিল ॥ ৩৪ ॥
চন্দ্ৰ, সূৰ্য্য, অগ্নি, বায়ু, যম বৰুণৰ ।
ইন্দ্ৰ আদি কৰি অন্য সমস্ত দেবৰ ॥ ৩৫ ॥
অধিকাৰ পদে নিজে অধিকাৰী ভৈল ।
স্বৰ্গহন্তে দেবতাক ডকাই খেদিল ॥ ৩৬ ॥

স্বৰ্গ ভ্ৰষ্ট হই দেব পৃথিবী ভিতৰে।
মনুষ্যৰ বেশ ধৰি খুজি মাগি ফুৰে ॥ ৩৭ ॥
এতেকহি দেব সব অসুৰ বৃতান্ত।
শৰণ পশিল সবে বিষ্ণু চৰণত।
সকলে দেৱতা আপোনাৰ শৰণীয়া।
তাৰ বধ হেতু দেব দেখহ চিন্তিয়া ॥ ৩৯ ॥
দেবতাৰ বাণী শুনি তবে হৰি হৰ।
ক্ৰোদ্ধতে অধীৰ মুখ ভ্ৰূকুটী কুটিল ॥ ৪০ ॥
অতিৰেক ক্ৰোধে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ।
মুখহন্তে মহাতেজ হইল বাহিৰ ॥ ৪১ ॥
ইন্দ্ৰ আদি কৰি অন্য অন্য দেবহন্তে।
অতীব মহতি তেজ হইল নিৰ্গত ॥ ৪২ ॥
সমস্ত দেবৰ তেজ একত্ৰ হুইয়া।
জ্বলন্ত পৰ্ব্বত প্ৰায় উঠিল ব্যাপিয়া ॥ ৪৩ ॥

——:0:——

## অথ দেবী আবিৰ্ভাব ও দেৱতাৰ পূজা।

### পদ।

মাৰ্কণ্ড বদতি ঋষি সিটো মহাতেজ।
দিগন্ত ব্যাপিয়া জ্বালা মালাতে বিৰাজ ॥ ১ ॥

দশদিগ পৰিব্যাপ্ত হইয়া উঠিল ।
দেখিয়া দেবতা সব বিস্ময় মানিল ॥ ২ ॥
দেবদেহে জন্ম সেহি মহাতেজ ৰাশি ।
একত্রে মিলিত ভৈল ত্রিলোক প্রকাশি ॥ ৩ ॥
সৰ্ব্বতেজ একহই নাৰী ৰূপ ভৈল ।
প্রতি দেবতেজে অঙ্গ প্রত্যঙ্গ জন্মিল ॥ ৪ ॥
শম্ভুতেজে জনমিল শ্রীমুখ মণ্ডল ।
বিষ্ণু তেজে বাহু যম তেজে কেশ ভৈল ॥৫॥
চন্দ্রমাৰ তেজে ভৈল যুগ্ম পয়োধৰ ।
মধ্য দেশ জনমিল তেজে বাসবৰ ॥ ৬ ॥
বৰুণৰ তেজেতে উদ্ভব জঙ্ঘাউৰু ।
পৃথিবীৰ তেজেতে নিতম্ব অতি গুৰু ॥ ৭ ॥
ব্রহ্ম তেজে পদ সূৰ্য্য তেজে পদাঙ্গুলী ।
বসুতেজে জনমিল হস্তৰ অঙ্গুলি ॥ ৮ ॥
ধন পতি তেজেতে নাসিকা জনমিল ।
প্রজাপতি তেজে দন্ত পংক্তি উদ্ভবিল ॥ ৯ ॥
অগ্নি তেজে ত্রিনয়ণ সন্ধ্যা তেজে ভ্রুব ।
বায়ু তেজে কর্ণদ্বয় হইল সম্ভব ॥ ১০ ॥
বিশ্বকৰ্ম্মা আদি অন্য অন্য দেৱ তেজে ।
আন আন অবয়ব তাহাতে উপজে ॥ ১১

দেব তেজে জন্ম সেহি ৰমণী দেখিয়া ।
অসুৰতাপিত দেব আনন্দিত হুয়া ॥ ১২ ॥
অস্ত্র শস্ত্র দিয়া পূজা কৰিবে ধৰিল ।
প্রথমতে শূল দিয়া শঙ্কৰে পূজিল ॥ ১৩ ॥
নিজ শূল হন্তে শিব শূল নিষ্কোষিল ।
দেবি হাতে দিয়া শিব প্রথমে পূজিল ॥ ১৪ ॥
চক্রহন্তে চক্রী চক্র কৰিল উদ্ভব ।
দেবি হস্তে দিয়া পূজা কৰিল কেশব ॥ ১৫ ॥
বৰুণ দিলন্ত শঙ্খ হুতাশন শক্তি ।
বায়ু দিল ধনুর্ব্বাণ পূর্ণতূণ দুটী ॥ ১৬ ॥
বজ্র অস্ত্রে ইন্দ্র বজ্র কৰিল উৎপন্ন ।
ঐৰাৱত গল ঘণ্টা কৰিল অর্পণ ॥ ১৭ ॥
যম দিল কালদণ্ড বৰুণ পাশ অস্ত্র ।
দক্ষ প্রজাপতি অক্ষমালা নব পদ্ম ॥ ১৮ ॥
ব্রহ্মা দিল কমণ্ডলু কালে খড়গ চর্ম্ম ।
অম্লান পঙ্কজ মালা ক্ষীৰোদ সমুদ্র ॥ ১৯ ॥
অবাসী অজৰ বস্ত্র যুগ্ম চূড়ামণি ।
কুণ্ডল বলয় শুভ্র নুপুৰ কিঙ্কিণী ॥ ২০ ॥
অত্যুত্তম কণ্ঠ ভৰা ৰত্নৰ অঙ্গুৰী ।
দশো অঙ্গুলীত পিন্ধাইল ভৰি পূৰি ॥ ২১ ॥

ব্যোম কূপে নিজ ৰশ্মি দিল দিবাকৰ।
বিশ্বকৰ্ম্মা দিলন্ত পৰশু অস্ত্ৰ বৰ ॥ ২২ ॥
বিবিধ আয়ুধ অভেদ্য শস্ত্ৰ কৰ্ম্ম।
বিশ্বকৰ্ম্মা দিল অতি সুদৃঢ় সুৰম্য ॥ ২৩ ॥
জলনিধি অম্লান পঙ্কজ মালা দিল।
গন্ধে আমোদিত পদ্মপুষ্প হস্তে দিল ॥ ২৪ ॥
হিমালয়ে দিল সিংহবাহন উত্তম।
বহু ৰত্নে সুশোভিত পৰম শোভন ॥ ২৫ ॥
সুৰা পূৰ্ণ স্বৰ্ণ পাত্ৰ দিলন্ত কুবেৰ।
মহানাগ মণি দিল অনন্ত ঈশ্বৰ ॥ ২৬ ॥
অন্য অন্য দেৱ নানাবিধ অলঙ্কাৰ।
কাটন কুটন অস্ত্ৰ বিবিধ প্ৰকাৰ ॥ ২৭ ॥
শূল শক্তি শেল যাঠী মূষল মুদ্গাৰ।
ভল্ল ত্ৰিকণ্টিক অসি শতঘ্নি তোমৰ ॥ ২৮ ॥
ব্ৰহ্ম জাল ইন্দ্ৰ জাল কাপালী ঐষিক।
বীশ্বজীত কালকূট নাৰাচ ক্ষুৰপ ॥ ২৯ ॥
বিপাট পট্টিশ ঘোৰ পৰিঘ গৰুড়।
ব্ৰহ্মশিৰ নাগমুখ অগ্নি বৎস দন্ত ॥ ৩০ ॥
ইত্যাদি বিবিধ অস্ত্ৰ কৰিল প্ৰদান।
শিৰ ত্ৰাণ মুকুট ভূষণ বহুমান ॥ ৩১ ॥

অন্য অন্য দেবতাৰ আয়ুধ ভূষণ ।
পূজা পাই তুষ্ট দেবী কৰন্ত গৰ্জ্জন ॥ ৩২
অট্ট অট্ট ঘট্ট ঘট্ট হাস্য ঘোৰনাদ ।
মহা শব্দে দৈত্যগণ গণিল প্ৰমাদ ॥ ৩৩ ॥
ঘন ঘন সিংহনাদ ঘোৰ অট্ট হাস ।
গৰ্জ্জনে অসুৰ সবে হইল তৰাস ॥ ৩৪ ॥
সেহি মহাঘোৰ শব্দে ব্যাপিল গগন ॥
দোৰ্ঘোৰ আটাসে ক্ষোভিলন্ত ত্ৰিভুবন ॥ ৩৫
ধৰাধৰ কুলাচল অচলা সচল ।
সমস্ত ব্ৰহ্মাণ্ড মানে খলক লাগিল ॥ ৩৬ ॥
প্ৰতিধ্বনি লাগিয়া কাম্পন্ত বন খান ।
শবদ উঠলি পলাই জীবজন্তু গণ ॥ ৩৭ ॥
তাৰ প্ৰতি শব্দগই সমুদ্ৰে লাগিল ।
সাতো সাগৰৰ জল কম্পিত হইল ॥ ৩৮
কাপিল পৃথিবী মহীৰুহ সচলিত ।
খলক লাগিল ব্ৰহ্ম খ মহল্লোক ॥ ৩৯ ॥
জয় জয় শব্দে দেবগণ আশংসিল ।
মুনিগণো নম্ৰভক্তি দেবিস্তুতি কৈল ॥ ৪০
ত্ৰিজগত মানে যেবে তোলপাৰ ভৈল ।
দেবাৰি অসুৰ ভয়ে তবধ লাগিল ॥ ৪১

দেবতাৰ কোলাহল দেবীৰ গৰ্জ্জন ।
শুনিয়া মহিষ ক্ৰোধে ভৈল কম্পমান ॥ ৪২ ॥
ঈশ্বৰ মহিমা কোনে বুজিব পাৰয় ।
এতকালে মহিষৰ আয়ু ভৈল ক্ষয় ॥ ৪৩ ॥
পৰ উপকাৰী দেবগণক হিংসিল ।
সাধু নিন্দা বাদে তাৰ ঘোৰ পাপ ভৈল ॥ ৪৪ ॥
লোভে পাপ পাপে মৃত্যু ৰাজ্যধন ভ্ৰষ্ট ।
ইহাৰ প্ৰমাণ বুজিয়োক মহিষত ॥ ৪৫ ॥
চাহি থাকে কালে গ্ৰাস কৰয় ক্ষণিকে ।
নুবুজিয়া লোকে মৰ্ম্ম কৰয় অধিকে ॥ ৪৬ ॥
কাহাৰ সহিত কাৰো নাহিক সম্বন্ধ ।
গোপাল কহয় মাত্ৰ এক হৰি পদ ॥ ৪৭ ॥

---

অথ মহিষাসুৰৰ যুদ্ধ যাত্ৰা ।

---

## পদ ।

ধৰ্ম্ম পক্ষী নিগদতি শুনিয়ো জৈমিনি ।
ভাগুৰিত কহয় মাৰ্কণ্ড মহামুনি ॥ ১ ॥

ঘোৰ শব্দে তিনলোক হইল কম্পমান ।
মহাত্ৰাস হইলন্ত দেব ঋষিগণ ॥ ২ ॥
একে দেবতাৰ সঙ্গে বিবাদ আছয় ।
পুনু ৰণ সাজি কিম্বা খেদি আসিছয় ॥ ৩ ॥
যুদ্ধ হেতু কাছি পাৰি যত সৈন্যগণ ।
অস্ত্র শস্ত্র অসি বৰ্ম্ম কৰিল ধাৰণ ॥ ৪ ॥
সৰ্ব্ব অধিকাৰী বীৰ মহিষ অসুৰ ।
কি ঘটিল অৰে ইটো ক্ৰোধ গুৰুত্তৰ ॥ ৫ ॥
অসংখ্যাত অসুৰ লগত সাজি পাৰি ।
শব্দলক্ষ অনুসৰি গৈলন্ত বিচাৰি ॥ ৬ ॥
অসংখ্যাত অৰ্ব্বুদ কোটী মহা সৈন্যগণ ।
কাল মেঘখান যেন ব্যাপিল গগন ॥ ৭ ॥
হলহলি দানবৰ সেনা নিকলিল ।
ধৰণী হাকিয়া দশোদিশ বিয়াপিল ॥ ৮ ॥
যেন পিপিলিকা দল লালি বাটি যাই ।
একধিকি হুই ঘাট বাট ভৰি যাই ॥ ৯ ॥
গিড় গিড় পদ শব্দ চলে নিৰন্তৰ ।
বাৱে ৰণ বাদ্য বহু আনন্দ অপাৰ ॥ ১০ ॥
জল স্থল বন পথ পৰ্ব্বত কন্দৰ ।
মহিষৰ সৈন্য ঘুৰি ভৈল একাকাৰ ॥ ১১ ॥

নমহে ধৰণী ভাৰ হুমকি চলয় ।
ছোট নদী খাল বিল খোজত সুখায় ॥ ১২ ॥
কতোদিন মানে গই বিচাৰি পাইলন্ত ।
ক্ষীৰ সমুদ্ৰৰ তীৰে দেবী দেখিলন্ত ॥ ১৩ ॥
দেখিলেক নাৰী এক তথাতে আছয় ।
তাৰ মহাতেজ তিনি লোক ব্যাপিছয় ॥ ১৪ ॥
পদভৰে বসুমতি হুমকি চলিছে ।
মাথাৰ কিৰীটি মহল্লোক পৰশিছে ॥ ১৫ ॥
সমস্তে ব্ৰহ্মাণ্ড খান ব্যাপিত হইল ।
দিগ্‌গজ সহিত ধৰাথান নম্ৰভৈল ॥ ১৬ ॥
বিস্তাৰি সহস্ৰভুজ ব্যাপি দশোদিগ ।
আছে এক দেবীমুৰ্ত্তি সশস্ত্ৰ পৰাগ * ॥ ১৭ ॥
দানবৰ সঙ্গে যত মহা সৈন্যগণ ।
প্ৰথমতে অগ্ৰেকৰে বান বৰিষণ ॥ ১৮ ॥
চতুৰ্দ্দিগ ঘুৰি অস্ত্ৰ শস্ত্ৰ বৰিষন্ত ।
নাহি ছেদ ভেদ নিৰন্তৰে প্ৰহাৰন্ত ॥ ১৯ ॥
পৰশুপাটিশ গদা ভূষণ্ডী তোমৰ ।
ভল্ল ভিণ্ডিপাল শক্তি মূষল মুদ্গৰ ॥ ২০ ॥

* পৰাগ-সুকোমল পুষ্পৰেণু তুল্য ।

ক্ষুৰপা খট্টাঙ্গ সিংহদন্ত বৎস দন্ত।
শিলিমুখ নাৰাচ বিপাট ব্যাঘ্ৰ দন্ত ॥ ২১ ॥
তীক্ষ্ণধাৰ শূল খড়্গ শেল যাঠী জোঙ্গ।
আকাশ পথত মহাশব্দ সন সন ॥ ২২ ॥
সুবৰ্ণ পুঙ্খিয়া শৰ ঝাকে ঝাকে যায়।
জোনাকীৰ পাল যেন ৰাত্ৰিত উড়য় ॥ ২৩ ॥
জল স্থল শূন্য পথ অস্ত্ৰে বিয়াপিল।
দিগ দিগান্তৰ ভেদি উদীপ্ত হইল ॥ ২৪ ॥
মহিবৰ সেনাপতি চিক্ষুৰ চামৰ।
সবাৰ নায়ক যেন কাৰ্ত্তিক দেবৰ ॥ ২৫ ॥
সৰ্ব্ব সেনা উপৰত মুখ্য দুইজন।
ৰথ হস্তী অশ্ব পদাতিক অগণন ॥ ২৬ ॥
চতুৰঙ্গ দলে দুয়ো যুদ্ধ জপাইল।
দশজন আৰু সেনাপতি সঙ্গে আইল ॥ ২৭ ॥
সিসবৰ নাম সৈন্য সংখ্যা ৰথ ৰথী।
অশ্বগজ খৰ উষ্ট্ৰ ৰাহুতি মাহুতি ॥ ২৮ ॥
বিস্তৰি বৰ্ণিব তাক শুনা আত পৰে।
ভূমিকম্প হয় যনে সৈন্যপদ ভৰে ॥ ২৯ ॥

## অথ সেনাপতিৰ সৈন্য সংখ্যা বিবৰণ ও সৈন্য যুদ্ধ ।

### পদ ।

মাৰ্কণ্ড বদতি শুনা ভাগুৰি মহন্ত ।
মহাহনু নামে সেনাপতি কোটি ৰথ ॥ ১ ॥
ষাঠি সহস্রেক ৰথে উদগ্র দুৰ্ব্বাৰ ।
পঞ্চ কোটী ৰথে অসিলোম মহাবীৰ ॥ ২ ॥
ষষ্ঠিলক্ষ ৰথ পতি পৰিবাৰ নাম ।
সঙ্গে বহু ৰাক্ষস অসুৰ অগণন ॥ ৩ ॥
সহস্র সহস্র হস্তী ঘোড়া অসংখ্যাত ।
ৰণক সমুখে আসিলন্ত সিবেলাত ॥ ৪ ॥
বিড়ালাক্ষ নাম ইটো সবাতে প্রধান ।
পঞ্চ বৃন্দ ৰথে তাৰ সৈন্যৰ যোগান ॥ ৫ ॥
আন আন দানবৰো যিমান আছিল ।
হয় গজ ৰথ সৈন্য ধৰণী ঢাকিল ॥ ৬ ॥
অস্ত্র শস্ত্র ধৰি সবে যুদ্ধে আগ ভৈলা ।
বাজু পাতি ৰণস্থলে সৈন্য নিবন্ধিল ॥ ৭ ॥
কোটি কোটি সহস্র সহস্র ৰথ গজ ।
কোটি কোটি সহস্র সহস্র বাজী অশ্ব ॥ ৮ ॥

মহিষঅসুৰো নিজে এত মান লৈই ।
এককালে যুদ্ধ ক্ষেত্ৰে উত্তৰিল গৈ ॥ ৯ ॥
জল স্থল গিৰি বন সৈন্যে আচ্ছাদিল ।
গণ্ডগোল কোলাহল ৰোলেক উঠিল ॥ ১০ ॥
কেহোবা তোমৰ কেহো ভল্ল ভিণ্ডি পাল ।
মূষল মুদ্গৰ কেহো খড়্গ শক্তি শেল ॥ ১১ ॥
পৰশু পটিশ গদা কৰয় প্ৰহাৰ ।
চাৰি দিকে অস্ত্ৰ হানে কৰি অন্ধকাৰ ॥ ১২ ॥
পদভৰে টলমল কৰে বসুমতী ।
ধৰণী নসহে ভাৰ অনন্ত বিকৃতি ॥ ১৩ ॥
কোটি কোটি সহস্ৰ সহস্ৰ হস্তী ৰথ ।
কোটি কোটি সহস্ৰ সহস্ৰ সৈন্য অশ্ব ॥ ১৪ ॥
বাৰিষা কালত যেন মেঘে বৰিষণ ।
মূষলৰ ধাৰে অস্ত্ৰ কৰে সঞ্চালন ॥ ১৫ ॥
কেহো শূল প্ৰহাৰন্ত কেহো মাৰে পাশ ।
আগ বাঢ়ি কেহোখড়্গ হানে মৰ সাস ॥ ১৬ ॥
জল স্থল শূন্য মাৰ্গ অস্ত্ৰে পৰিপূৰ্ণ ।
অস্ত্ৰে অস্ত্ৰে ৰণ ভূমি হইল আচ্ছন্ন ॥ ১৭ ॥
দেখি মহামায়া নিজ অস্ত্ৰ বৰষিল ।
ক্ষুৰ ধাৰ শতঘ্নি তোমৰ প্ৰহাৰিল ॥ ১৮ ॥

ভিখাল বিষাল অস্ত্র ৰাশি পালে পাল।
দৈত্য সেনা উপৰে কৰিল মহামাৰ ॥ ১৯ ॥
কভু অগ্নি শৰ হানি অস্ত্র সংহাৰন্ত।
তীক্ষ্ণ খড়্গাঘাতে কতো কাটি পেলাৱন্ত ॥ ২০ ॥
সহস্র ভুজেৰে অস্ত্র কৰন্ত প্রহাৰ।
লীলায়ে দৈত্যৰ শৰ কৰিলা সংহাৰ ॥ ২১ ॥
অস্ত্র কাটি দিশ মুক্ত কৰি নাৰায়ণী।
নিজ অস্ত্রে দৈত্য সেনা মাৰন্ত তখনি ॥ ২২ ॥
দেবী মহাঅস্ত্র অসুৰক প্রহাৰিল।
নিঋতি বৰুণ ইন্দ্র বায়ব্য অনল ॥ ২৩ ॥
পৰশু পটিশ শূল শক্তি নানাবিধ।
আৰু অন্য অস্ত্রে কৰে দৈত্য সেনা বধ ॥ ২৪ ॥
হেন কালে সিংহ গোট আটোপ কৰিল।
স্কন্ধ লোম সিহৰাই গাৱ ঝঙ্কাৰিল ॥ ২৫ ॥
ঘোৰ নাদ কৰি সৈন্য মধ্যে লাম্ফ দিল।
সুখান হাবিত যেন অগনি লাগিল ॥ ২৬ ॥
খেৰ বন খান অগ্নি দহে ছুট ছুটি।
সেহি ৰূপে সেনা ক্ষয় কৰে মৃগপতি ॥ ২৭ ॥
অসুৰেও বেঢ়ি ধৰি সিংহৰ গাৱত।
যাঠী জোঙ্গ শেল শক্তি প্রহাৰ কৰন্ত ॥ ২৮ ॥

মদমত্ত হস্তী যেন ইকৰা হাবিত ।
খছকি মোহাৰি সব কৰে চূৰ্ণাকৃত ॥ ২৯ ॥
দানবৰ অস্ত্ৰ হৰি কটাক্ষো নকৰে ।
আছুৰি কামুৰি ছিন্দি খছকি ভোঁহাৰে ॥ ৩০ ॥
কামোৰ মাৰিয়া কাৰো মস্তক ভাঙ্গিল ।
বুকে নখ পুতি কাকো বিদাৰি পেলাইল ॥ ৩১॥
চৰৱতে কাৰো মুণ্ড গোটা ছিণ্ডি নিল ।
লাঠী ছোটে কতকৰ জীব নিকালিল ॥ ৩২ ॥
এহিৰূপে মহামাৰি কৰিল মৃগেন্দ্ৰ ।
অস্ত্ৰাঘাতে দেবীয়ো কৰিল খণ্ড ভণ্ড ॥ ৩৩ ॥
হেন কালে হস্তী যুথ আগ কৰি দিল ।
মদ ধাৰা বহে অতি বিশাল দন্তাল ॥ ৩৪ ॥
আগকৰি হস্তী ঝাক মাহুতে খেদন্ত ।
কোটি কোটি হাজাৰে হাজাৰে খেদি যান্ত ॥৩৫॥
অস্ত্ৰধৰি উপৰত যুজাৰু চলয় ।
অঙ্কুশ আঘাত কৰি মাহুতে বাৰয় ॥৩৬॥
দীঘল দশন অলঙ্কাৰে সুসজ্জিত ।
বেগ ধৰি এক ধিকি খেদিয়া দৈত্যান্ত ॥৩৭॥
গিৰ গিৰ কৰি মহা প্ৰচণ্ড আটোপে ।
ঘোৰ মেঘথান যেন গগনে বিয়াপে ॥৩৮॥

খোজে খোজে খেদি যাই ধৰণী লড়য় ।
ধমস ধমস কৰি হুসকি চলয় ॥ ৩৯ ॥
কোটি সহস্ৰেক মানে ৰণুৱা ঘোণ্ডাত ।
হীৰামণি মুক্তা লগাই সাজিছে গাৱত ॥৪০॥
তীক্ষ্ণ খাণ্ডা বাৰু ধৰি আসোৱাৰী গণে ।
বাহু তুলি উপৰক ধাৰ দিল ৰণে ॥ ৪১ ॥
তীব্ৰ ধাৰ অসি চৰ্ম্ম উপৰে উছাই ।
ৰবি ৰশ্মি লাগি তাত চমক লাগই ॥ ৪২ ॥
মহাৰোল কোলাহল সবে ধাৰ দিল ;
একধাৰ হুই ভূমী খান বহি গৈল ॥ ৪৩ ॥
পঙ্কাকুল ভৈল জলধাৰা নিকলিল ।
ঘোৰ ৰণ ভূমি আঠুমানে বোকা ভৈল ॥৪৪॥
দেখি দুৰ্গা প্ৰহাৰিলা অগ্নিময় বাণ ।
বাণ মুখে অগ্নি ৰাশি কৰে বৰিষণ ॥৪৫॥
তীখাল বিষাল আন অস্ত্ৰ অসংখ্যাত ।
আৰোহী সহিত হস্তী কৰন্ত নিপাত ॥৪৬॥
ঠোপা ঠোপে অগ্নি বৃষ্টি হস্তীৰ উপৰ ।
আধাপোৰা হুই কতো ভিৰিমাৰে লৰ ॥৪৭॥
তীক্ষ্ণ অস্ত্ৰে কতো ছিন্নভিন্ন হই ভাগে ।
চিহৰি পলাই কতো মলমূত্ৰ ত্যাগে ॥৪৮॥

ৰাহুত মাহুত অশ্ব সোৱাৰী সহিত ।
অগ্নিবাণে চাৰ খাৰ হুই মৰে কত ॥৪৯॥
কতকোবা শূল খড়্গে কৰিল নির্ম্মূল ।
কত শত কেশৰায়ে নখে বিদাৰিল ॥৫০॥
বজ্র নখে দান্তে ভুণ্ড ভোহাৰি পেলাইল ।
ক্ষণিকে অসংখ্য অশ্ব হস্তী মৰি গৈল ॥৫১॥
গিৰ গিৰ কৰি পৰে ধৰণী ঢাকিল ।
বিন্মুত্র পুৰীষ ছাৰি কতো পলাইল ॥৫২॥
মল মূত্রে ৰণস্থল থান পঙ্কাকুল ।
ক্লুদি লাগি যেন হোলামাটি বোকা দিল ॥৫৩॥
কতোক্ষণে জগদম্বা নিশ্বাস ত্যজিল ।
প্রমথ পিশাচ সৈন্য তাতে উপজিল ॥৫৪॥
সিংহ ব্যাঘ্র মুখ কাৰো সর্প বানৰৰ ।
কাকছিল ফেঞ্চা মুখ বিড়াল ইন্দুৰ ॥৫৫॥
কাৰো এক মুণ্ড কাৰো দুই তিন মূৰ ।
কেহো মুণ্ড নাক হান বিভৎস আকাৰ ॥৫৬॥
কাৰো এক দুই চক্ষু কোন ত্রিনয়ণ ।
দুই চক্ষু একচক্ষু হান কতোজন ॥ ৫৭ ॥
বৰজঙ্ঘা কতকৰ ক্ষুদ্র ক্ষুদ্র ভৰি ।
কটে াস্থুল হ্রস্ব জানু চলয় চুচৰি ॥ ৫৮ ॥

ঢোলহেন পেট কাৰো ওলমি আছয় ।
কতোবা কঙ্কালি হাড়েচালে লাগিছয় ॥৫৯॥
গোৰু সম কৰ্ণ কাৰো ঘোড়াৰ সদৃশ ।
কতো কৰ্ণ নাক হীন দেখি অসদৃশ ॥৬০॥
এহিৰূপে বহুবিধ প্ৰমথৰ গণ ।
দেবি শক্তিহন্তে জন্ম লভিল তখন ॥ ৬১ ॥
পৰশু পটিশ অস্ত্র ৰবি ভিন্দিপাল ।
অসুৰে পিশাছে ৰণ বাজিল তুমুল ॥ ৬২ ॥
বাজে ঘণ্টা শঙ্খ কতো পটহ মৃদঙ্গ ।
দুইদলে মহাযুদ্ধ মহোৎসব ৰঙ্গ ॥ ৬৩ ॥

———○———

## অথ পৈসাচিক সৈন্য বৰ্ণনঃ ।

সিংহব্যাঘ্ৰমুখৈ ঘোৰৈ সৰ্পাখূ বদনৈৰপি ।
মৃগমেষ মুখৈচান্যৈ গজবাজী মুখৈস্তথা ।
বিড়াল বদনৈ চোগ্ৰে ক্ৰৌঞ্চকাকাৰ মূৰ্দ্ধভিঃ ।
অমূৰ্দ্ধ ভীষ্ম গণপৈ মহামূৰ্দ্ধভিৰেবচ ।
একনেত্ৰৈঃ মহানেত্ৰৈ ৰ্বহুনেত্ৰৈৰণেত্ৰকৈঃ ।
হ্ৰস্ব দীৰ্ঘৈ কৃশৈস্থূলৈ লম্বোদৰ মহোদৰৈঃ ।

গোকর্ণৈ হয়কর্ণৈশ্চ মহাকর্ণৈৰকর্ণকৈ।
হ্রাসৈ চন্দ্রাসজননৈবিকৰালৈ স্তথামুখৈ।
ইত্যাদি ইতি রুদ্র যামলে॥

দেখি দেবী নানা অস্ত্র কৰিল প্ৰহাৰ।
গদাশূল শক্তি যাঠি ভুষুণ্ডা তোমৰ॥ ৬৪॥
অসুৰ দলত সবে ভৈল তোল পাৰ।
খড়্গাঘাতে শত শত কৰিল সংহাৰ॥৬৫॥
মহা বজ্ৰাঘাত যেন ঘণ্টাৰ নিঃস্বন।
সেহি শব্দে অচেতন কতো দৈত্যগণ॥৬৬॥
মহাপাশে বান্ধি কতো কৰিল ছেদন।
গদাঘাতে চূৰ্ণকৃত ভূমীত পাতন॥ ৬৭॥
গলাত লগাই পাশ আযুড়ি আনয়।
তাঙ্ক খড়্গাঘাতে পৰে দোহাৰ কৰয়॥৬৮॥
হতহুই দৈত্যগণ ভূমিত পড়িল।
শেলে বিন্ধি কতকৰ হৃদি বিদাৰিল॥ ৬৯॥
মুষলে কোবাই হাৰ ঘাৰ ভাঙ্গি মাৰে।
হকহকি মুখে ৰক্ত বজাই কতো মৰে॥৭০
ধাৰাসাৰে শৰাঘাত কৰিয়া ভবানী।
অসংখ্যাত অসুৰৰ বধিল পৰাণী॥ ৭১॥

কাৰোবা কাটিল বাহু কাৰো কাটে কন্ধ ।
কাৰো জানু জঙ্ঘাপদ কাৰো কাটে মুণ্ড ॥৭২॥
বুকে বাণ বাজি কতো কাম্োৰয় মাটি ।
শৰহানি কাহাৰো কাটিল দন্ত পান্তি ॥৭৩॥
কাৰোবা কাটিল চক্ষু কাৰো কঙ্কালত ।
নাসাকৰ্ণ কাটি কাৰো কৰিল কুৎসিত ॥৭৪॥
গিৰিস গিৰিস কৰি ধৰণীত পড়ে ।
ঠাসঠিস কৰি পড়ে মৰাৰ উপৰে ॥ ৭৫ ॥
কৰপদ ছিন্ন হুই পৰয় ভূমিত ।
শিৰ কাটি পাৰে কন্ধ উঠয় ত্বৰিত ॥ ৭৬ ॥
সহস্ৰ সহস্ৰ কন্ধ উঠিল তথাত ।
কবন্ধ হুইয়া পুনু অসুৰে যুজন্ত ॥ ৭৭ ॥
খড়্গ শক্তি ঋষ্টি ধৰি পৰম আয়ুধ ।
প্ৰমথ সৈন্যৰ সহ কৰে ঘোৰ যুদ্ধ ॥৭৮॥
দশলক্ষ ঘোড়া এক অযুত দন্তাল ।
অৰ্দ্ধশত ৰথ দশকোটি সৈন্য বল ॥ ৭৯ ॥
এতমান মৰিলাত কবন্ধ হোৱয় ।
এহিৰূপ অসংখ্যাত কবন্ধে যুজয় ॥ ৮০ ॥

---

নাগাণা ময়ুতং তুৰঙ্গ নিযুতং ৰথঞ্চ সাৰ্দ্ধংশতং পত্যানাং দশকোটয়ো নি পতিতে এবং কবন্ধে ৰণে ॥ ইতি মহা নাটকে ॥

শিৰ হীন দুই চক্ষু বুকৰ ওপৰে।
কৰীশুণ্ড সমহস্ত মুখ বক্ষোদৰে ॥ ৮১ ॥
বিবিধ আয়ূধ লৈই প্ৰহাৰ কৰয়।
দুয়ো জাতি পিশাচ দুইকো সমান হোৱয় ॥ ৮২॥
অস্ত্ৰ শস্ত্ৰ ধৰি কতো কবন্ধে নাচন্ত।
কতো কতো বাদ্য ভণ্ড লই কৰে নৃত্য ॥৮৩॥
মনুষ্য স্বভাব এভো নাহিক তাহাৰ।
স্বাভাবিক দেব শক্তি মায়াৰ আধাৰ ॥৮৪॥
মহাবীৰ মৰি যতমান হৈল কন্ধ।
খড়্গ শক্তি ফেলি দেবি সৈন্যক মাৰন্ত ॥৮৫
সিসব কবন্ধে কৰে প্ৰমথক হত।
খড়্গাঘাতে কতকৰ শিৰ কাটিলন্ত ॥ ৮৬
অসুৰে পিসাচে যুদ্ধ হইল বহুল।
পিশাচৰ মুণ্ড কাটি হাহে খল খল ॥৮৭॥
কিল কিল শব্দে ঘোৰ হাসি অট্ট অট্ট।
লাঙ্গট পিঙ্গট কাৰো গাৱে নাহি বস্ত্ৰ ॥৮৮॥
প্ৰমথৰ শিৰ কাটি দেবীপ্ৰতিধাই।
ৰহ ৰহ বুলি কতো আনন্দ কৰয় ॥৮৯॥

দেখি দেবী ক্রোদ্ধে ধনুখান তুলি লৈল।
গুণ গাছ মাৰ্জ্জি ঘোৰ টঙ্কাৰ কৰিল ॥৯০॥
উঠলিল মহা শব্দ ৰণ স্থল ব্যাপি।
তৰসি কবন্ধ সেনা ভয়ে গৈল কাপি ॥৯১॥
গুণত যুৰিল দেবী মহা অগ্নি বাণ।
সন্ধান কৰিল কন্ধ কৰিবে নিৰ্য্যান ॥ ৯২
অগ্নি বাণ গোট যেবে আকাশে উড়িল।
ঠোপা ঠোপে উল্কাপুঞ্জ বৰষিবে লৈল ॥৯৩॥
চতুৰ্দ্দিগ বেঢ়ি ধৰি উঠিল প্ৰকাশি।
কবন্ধৰ সৈন্য পুড়ি ভৈল ভস্ম ৰাশি ॥৯৪॥
হেন কালে সিংহ গোটে গাৱ ঝোকাৰিল।
লম্ফ দিয়া অবশেষ সৈন্যত পড়িল ॥৯৫॥
আছুৰি কামুৰি মুণ্ড ছিন্দি বিদাৰিল।
এহিমতে দানবৰ সৈন্য মৰি গৈল ॥৯৬॥
মৰাহস্তী ৰথ অশ্ব সৈন্যৰ শৰীৰে।
ঢাকিলন্ত ৰণ স্থল খান একাকাৰে ॥ ৯৭॥
ভৰি দিবে স্থল নাহি তিল পৰিবাৰ।
মৰাৰ উপৰে মৰা পৰ্ব্বত আকাৰ ॥ ৯৮
মহা ৰণস্থল খান অগম্য হইল।
ভয়ানক যুদ্ধক্ষেত্ৰ খান শূন্য ভৈল ॥ ৯৯ ॥

দৌলাদোল শবদেহে দুর্গন্ধ উঠিল ।
বায়ুৰ প্ৰবাহে দশোদিগ বিয়াপিল ॥ ১০০ ॥
বহিল শোণিত নদী অতি ভয়ঙ্কৰ ।
ৰথ অশ্ব হস্তী উটি যাই নিৰন্তৰ ॥ ১০১ ॥
সেৱালি সমান ভাসি যাই সৈন্য সব ।
ঢৌহেন উটি যাই হস্তীৰথ অশ্ব ॥ ১০২ ॥
ঝাজৰি সমান ভাসি যাই অস্ত্ৰশস্ত্ৰ ।
প্ৰকাণ্ড শোণিত নদী বহে অবিৰত ॥১০৩॥
ৰক্তাহাৰা পক্ষী আকাশত ৰক্ত খাই ।
শকুনা গৃধিণী কাক উড়িয়া বেড়াই ॥১০৪॥
প্ৰমথ গণেও বহু সৈন্য নিপাতিল ।
এহিমতে দানবৰ সৈন্য ক্ষয় ভৈল ॥১০৫॥
আকাশে অমৰ গণ আনন্দ লভিল ।
জয় জয় কৰি সবে পুষ্প বৰষিল ॥১০৬॥
নিগুটি মৰিল সৈন্য নাহিকয় আৰ ।
দেখি সেনাপতি যুদ্ধে ভৈল আগুসাৰ ॥১০৭॥
নমো নমো নাৰায়ণী জগত জননী ।
বিপদ নাশিনী দুৰ্গে কৈবল্য দায়িণী ॥১০৮॥
ক্ষুদ্ৰ কি দানবে ৰণ কৰিবে তোমাক ।
কৰিলাহা লীলা ইটো নৰে বুজিবাক ॥১০৯॥

নিশ্বাসে যাহাৰ সৃষ্টি কটাক্ষে প্রলয় ।
অসুৰ সংহাৰ চলে লীলাৰ উদয় ॥১১০॥
একান্তে তোমাৰ পদে বিলয় শৰণ ।
অবশ্য ৰাখাহা তাক চাপিয়া চৰণ ॥১১১॥
অপুত্রৰ পুত্র তুমি দৰিদ্রে সম্বল ।
সবাকাৰ আদি তুমি জীব কৰ্ম্মফল ॥১১২॥
সাক্ষীৰূপে থাকি ভোগ কৰোৱা জীবক ।
নজানিয়া মূঢ়ে ভেদ ভাবয় তোমাক ॥১১৩॥
দিবাৰাত্রি সৰ্ব্বদায়ে কৰে অপৰাধ ।
ভকতি বিমুখ সংসাৰত বড় সাধ ॥১১৪॥
তোমাক পূজিবে ধন কিছু নাহিকয় ।
কিদিয়া সজাবো মনে ধূকি নপাৰয় ॥১১৫॥
বাক্য মন ক্রিয়া বুদ্ধি সবাৰ উপৰ ।
ভাবিলে দ্বিচক্ষে বহি যাই প্রেমনীৰ ॥১১৬॥
যুদ্ধ বৰ্ণিবাৰ ছলে বন্দিলো তোমাক ।
জন্মে জন্মে তযু পদে ভকতি ৰহোক ॥১১৭॥



অথ চিক্ষুৰাক্ষৰ যুদ্ধত পতন।

## ছবি।

এহিমতে যত, সৈন্য অসংখ্যাত
নাহি পাৰা পাৰ তাৰ ।১।
হয়হস্তী ৰথ, নাহিক সংখ্যাত
ক্ষণে ভৈল বুন্দামাৰ ॥২।
দশ সহস্রত, হোৱয় অযুত
দশ অযুতত লক্ষ ।৩।
দশ যে লক্ষত, গণনা নিযুত
কোটি একশত লক্ষ ॥৪॥
দশয় কোটিত গণনা অৰ্ব্বুদ
দশাৰ্ব্বূদে এক বৃন্দ ।৫।
দশ বৃন্দ মিলি এক খৰ্ব্বগণি
দ্বিগুণে তাৰ নিখৰ্ব্ব ॥৬॥
তাৰ দশ গুণে এক শঙ্খগণে
দশ শঙ্খে এক পদ্ম ।৭।
দশ পদ্ম ধৰি হোৱে এক সৰি
সাগৰ দশে পৰাৰ্দ্ধ ॥৮॥

পৰাৰ্দ্ধ উপৰ নাহি কয় আৰ
ব্ৰহ্মাণ্ড পুৰাণে দেখা ।৯।
এনুৱা পৰাৰ্দ্ধ সৈন্য মহিষৰ
চতুৰঙ্গ দলে দেখা ॥১০॥
প্ৰতি বিধে বিধ বুজিয়ো পৰাৰ্দ্ধ
যেহেন স্বৰ্গৰ তাৰা ।১১।
মৰিল সকল শূন্য ৰণস্থল
খণ্ডিল ধৰণী ভাৰ ॥১২॥
নকৰা সংশয় নুহিকে বিস্ময়
সিজনো ত্ৰিলোক পতি ।১৩।
হেন সৈন্যবল ক্ষণিকে সকল
সংহৰে ঈশ্বৰ শক্তি ॥১৪॥
ঋষি নিগদতি শুনা মহামতি
পাছ কথা যেন ভৈল ।১৫।
দেখি সৈন্য ক্ষয় চিক্ষুৰ দুৰ্জ্জয়
ক্ৰোধ কৰি খেদি গৈল ॥১৬॥
ধৰি ধনু ঘোৰ, দুৰন্ত অসুৰ
ঢাকি শৰ ঝাক দিল ॥ ১৭ ॥
অতি শীঘ্ৰহাত, কৰে অস্ত্ৰাঘাত
যেন মেঘে বৰষিল ॥ ১৮ ॥

মেৰু শিখৰত, বৰ্ষে যেন মত
বাৰিষা কালৰ মেঘ ॥১৯॥
সিমতে অসুৰ, বৰ্ষে নিৰন্তৰ
ঢাকিল গগণ পথ ॥২০॥
কৰি খৰোত্তৰ, বৰ্ষে নিৰন্তৰ,
দেবীক আছন্ন কৈল ।২১।
ঘোৰ অস্ত্ৰজাল, চৌদিকি বেঢ়িল,
দেবী ত্ৰস্ত্যমান ভৈল ॥২২॥
দেখি মহামায়া, ধনুক টানিয়া
দিব্য অস্ত্ৰ ঝাক দিল ।২৩।
হানি ঘোৰ শূল কৰিল নিৰ্ম্মূল
কতো পুৰি ভস্ম কৈল ॥২৪॥
চিক্ষুৰাক্ষ শূৰ পুনুবৰ্ষে শৰ
চতুৰ্দ্দিক অন্ধকাৰ । ২৫ ।
শূন্যমাৰ্গ ছানি শব্দ সনসনি
তীব্ৰ শিলিমুখ শৰ ॥ ২৬॥
শতঘ্নি তোমৰ মুষল মুদ্গাৰ
পৰশু ত্ৰিশূল শক্তি ।২৭।
ভল্ল ভিন্দিপাল মাৰে পালে পাল
খট্টাঙ্গ পৰিঘ যাঠী ।২৮॥

নাহি ছেদ ভেদ, হানে অবিৰত,
ৰবিৰশ্মি আচ্ছাদিল ।২৯।
নাৰাচ পট্টিশ তীক্ষ্ণ সূচী মুখ
নভো মাৰ্গ পূৰ্ণ ভৈল ॥৩০॥
দুৰ্গা নিজ শৰ, কৰিল প্ৰহাৰ,
লীলায়ে কাটিল সব ।৩১।
তীক্ষ্ণ শিলিমুখ কৰিল নিঃক্ষেপ
কাটে উচ্চ ৰথ ধ্বজ ॥৩২॥
সাৰথি সহিত কাটিলন্ত ৰথ
ধনুৰ্গুণ তূণ বাণ ।৩৩।
ৰথচক্ৰ অশ্ব বাণে কৈল ভস্ম
ভাঙ্গিলন্ত ৰথ খান ।।৩৪।।
তীক্ষ্ণ ঘোৰ শৰ বজ্ৰৰ সোসৰ
হৃদয়ত বিদাৰিল ॥৩৫॥
হাকুতি ঘামিল যমক দেখিল
তিৰি মিৰি দেখি গৈল ।।৩৬।।
ঢলোপৰো কৰি তথাপি নপৰি
ভৈল কিছু সন্মুক্ষণ ।৩৭।
তীক্ষ্ণ খড়্গ খান পাশুপত যেন
আয়ুৰি লৈল তখন ।।৩৮।।

বিৰথী বিধন্নু ক্রোধ অতি মন্যু
খড়্গ ধৰি খেদি যাই ॥৩৯॥
সিংহৰ মুণ্ডত ক্রোধৰ বেগত
কোব এক দিল গৈই ॥৪০॥
শিলাৰ উপৰি যেন শিলা পৰি
ঠাৎকাৰ শবদে উঠে ॥৪১॥
কেশৰী মস্তক বজ্রতো অধিক
অগনি স্ফুলিঙ্গ ঝাঁকে ॥৪২॥
দুৰ্ব্বাৰ কেশৰী দেখি তিৰি মিৰি
বৈল জিন জিনি খাই ।৪৩।
পাছে সেহি ছেগে চিক্ষুৰাক্ষ বেগে
দেবীক দিল খেদাই ॥৪৪॥
দুৰ্গাৰ গাৱত দক্ষিণ বাহুত
কোব দিল বাহু দাঙ্গি ।৪৫।
বজ্রত পৰিল অগনি উঠিল
খড়্গপাট গৈল ভাঙ্গি ॥৪৬॥
চিন্ময় প্রকৃতি চিদানন্দ শক্তি
অচ্ছেদ্য অভেদ্য দেহী ।৪৭।
ক্ষুদ্র অস্ত্রাঘাত অক্ষয় দেহত
কিকৰিবে দেখা চাহি ॥৪৮॥

খড়্গ নষ্ট ভৈল দানব কোপিল
ঘোৰ শূলপাট লৈল ।৪৯।
ভদ্ৰকালী প্ৰতি অসুৰ দুৰ্ম্মতি
গাৰ বলে প্ৰহাৰিল ।।৫০।।
আকাশত শূল, জ্বলিয়া উঠিল
মধ্যাহ্ন ভাস্কৰ যেন । ৫১
শূন্যমাৰ্গ ছানি, উঠিল অগনি
ঝাকে ঝাকে বৰিষণ । ৫২।
বিস্বাদ শবদে, আকাশৰ পথে
ঘোৰ শূল পাট যাই ।৫৩।
নিৰ্ধূমাগ্নি ৰাশি, আহিছে বৰষি
অম্বিকা দেখিলা চাই ।৫৪।
পৰিবাৰ বেলা, দেবী প্ৰহাৰিল
তাক লাগি নিজ শূল । ৫৫।
শত খণ্ড কৰি, কাটে মহেশ্বৰী
খানিকে ভৈল নিৰ্ম্মূল ।। ৫৬।।
শূল চূৰ্ণ কৰি, গৈল বেগ ধৰি
তাৰ হিয়া বিদাৰিল ।।৫৭।।
পৃথিবী সহিত, শাল পেলাইলন্ত
মৰি যম পূৰে গৈল ।।৫৮।।

এগোট মৰিল, কিছু স্বস্থ ভৈল
সবে দেবতাৰ মন ।৫৯।
কৰে জয় জয়, আনন্দ হৃদয়
দুঃখ হুইবে অবসান ।।৬০।।

——:0:——

অথ চামৰৰ যুদ্ধান্তে পতন ।

## পদ ।

মহিষ শুনিল ৰণে চিক্ষুৰ পড়িল ।
চামৰক শীঘ্ৰৰণে যাইবে আজ্ঞাদিল ।১
আজ্ঞামাত্ৰে দেবদ্ৰোহী চামৰ দুৰ্ম্মতি ।
হস্তী আৰোহণে খেদি আইল শীঘ্ৰগতি ।।২
দুৰ্জ্জয় দানব গোট পৰম দুৰন্ত ।
দেবতা সবক কৰিয়াছে ৰণ্ড ভণ্ড ॥ ৩
তাৰ ভয়ে ত্ৰিদশ কাম্পয় থৰ থৰি ।
সেহি গোট আসিলন্ত শক্তি হাতে কৰি ।৪
শক্তি ফেলি মাৰিলন্ত দুৰ্গাৰ উপৰ ।
আকাশে আসন্ত যেন জ্যোতি অগনিৰ ॥৫॥

ক্রোধত হুংকাৰ শব্দ কৰি ভগৱতী ।
ভগ্ন কৰি পেলাইল ভৈল চূৰ্ণাকৃতি ॥৬॥
নিষ্প্ৰভ শকতি পাট ভূমিত পড়িল ।
গিৰিসিত কৰি ভূমি খণ্ড লৰি গৈল ॥৭॥
শক্তি নষ্ট দেখি বেগে শূল তুলি ধৰি ।
গাৱে বলমানে প্ৰহাৰিল হুঃ বুলি ॥৮॥
শূন্য পথ ভাঙ্গি যাই অগনি উধাই ।
ভবানী লৈলন্ত শীতধাৰ তূন চাই ॥৯॥
তীক্ষ্ণ ক্ষুৰধাৰ বাণে কাটিয়া পেলাই ।
পুনৰপি অস্ত্ৰ তাক লইবে নাদিল ॥১০॥
এতহন্তে সিংহে উপৰক লম্ফ দিল ।
হস্তীৰ কন্ধত বাহু যুদ্ধ আৰম্ভিল ॥১১॥
কতোক্ষণ হুবাহুৰি উপৰে হইল ।
বাগৰা বাগৰি কৰি মাটিত পড়িল ॥১২॥

---

অথ চামৰ বধ ।

## ঝুমুৰি ।

দুইকো দুই সবে আটি । যুজে মাল বান্ধে ছাটি ॥১॥
কামোৰা কামুৰি কৰে । কতো বাগৰিয়া ফুৰে ॥২॥

আজোৰা পিজোৰা আতি । কতোমাৰে ঘৰা কাটি ।।৩।।
উপৰা উপৰি কৰে । উঠি ঘুৰি পাক ফুৰে ।।৪।।
বলে আঙ্কোৱালী ধৰে । বাগৰি মাটিত পৰে ।।৫।।
কতো সিংহ উপৰত । কতোবা অসুৰ গোট ।।৬।।
বজ্র কীল মাৰে খঙ্গি । হাৰ ঘাৰ যাই ভাঙ্গি ।।৭।।
কতো লগাই হতাহতি । হুৰামুৰা কৰে আতি ।।৮।।
গৰজতে ফাটে কাণ । দুয়োসম বলীয়ান ।।৯।।
কতো বেলি ছিদ্রপাই । চামৰে আছিল চাই ।।১০।।
সিংহৰ গালক চানি । মাৰিল চবৰ টানি ।।১১।।
মুখে ৰক্ত নিকলিল । হকহকি বটিয়াইল ।।১২।।
সিংহে পাছে চলপাই । কামোৰ দিলন্ত যাই ।।১৩।।
বজ্রনখে পঞ্জামাৰি । পিঠি মাংস নিল ছিৰি ।।১৪।।
এবখলা খহাইল । পুনৰপি ছেগ চাইল ।।১৫।।
সিবেলা অসুৰে ধাই । কেশৰী মুণ্ডক পাই ।।১৬।।
মাৰে কীল বজ্র ভুকু । নিকলাইবে চাহে চকু ।।১৭।।
কেশৰীয়ো লম্ফদিল । পিঠি পাছে উঠি লৈল ।।১৮।।
আজোৰ মাৰিল টানে । মুণ্ডগোট ছিণ্ডি আনে ।।১৯।।
কবন্ধ শৰীৰ গোট । উফৰি পৰিল তৈত ।।২০।।
অসুৰ মুকুতি ভৈল । গোপালে ঝুমুৰি গাইল ।।২১।

## অথ উদগ্ৰ সেনাপতিৰ যুদ্ধ ও প...

পদ ।

সিংহ সহ ৰণে যেবে চামৰ পড়িল ।
উদগ্ৰ আসিবে আজ্ঞা মহিষ কৰিল ॥ ১ ॥
ৰথে চড়ি শীঘ্ৰ আসি ৰণ জপাইল ।
পৰ্ব্বত আকাৰ গুৰুত্তৰ গদা লৈল ॥ ২ ॥
ঘোৰ গদা ফেলি মাৰে চণ্ডিকা উপৰ ।
শৰ হানি নাৰায়ণী কাটিল সত্বৰ ॥ ৩ ॥
আৰু শৰে ৰথ অশ্ব ধ্বজ ছেদিলন্ত ।
লাম্ফ দিয়া উদগ্ৰাখ্য পড়িল ভূমিত ॥ ৪
লৰড়িয়া ঘোৰ শিলা খণ্ড তুলি লৈল ।
আকাশৰ পথে দলি হানিয়া পঠাইল ॥ ৫
বৃক্ষ উৎপাড়িয়া দেবী কোব এক দিল ।
আলগতে শত খণ্ড কৰি চূৰ্ণ কৈল ॥ ৬
ভাগিলন্ত শিলা যেবে মুদ্গাৰ হানিল ।
তাকো বৃক্ষাঘাতে দেবী ভাঙ্গি পেলাইল ॥ ৭
এহি ৰূপে যতমান অসুৰে হানয় ॥
বৃক্ষাঘাতে দেবী খণ্ড কৰি পেলাৱয় ॥৮॥

অসুৰে হানন্ত দেবী কৰন্ত সংহাৰ।
দেবী [illegible] সিয়ো কৰে মসি মূৰ ॥৯॥
এহিৰূপে দুইকো দুই বৃক্ষ প্ৰহাৰিল।
দেবীৰ প্ৰহাৰে দৈত্য নিস্তেজ হুইল ॥১০॥
তাত পাছে বৃক্ষবাড়ি মাথাত মাৰিল।
মুণ্ডভাগি দৈত্যগোট যমপুৰে গৈল ॥১১॥
উদগ্ৰ মৰিল যদি কৰাল আসিল।
অস্ত্ৰহানি অম্বিকাক আচ্ছন্ন কৰিল ॥১২॥
তীক্ষ্ণ শিলিমুখে দেবী সমস্ত ছেদিল।
ধনু তূনবাণ ৰথধ্বজ বিনাশিল ॥ ১৩ ॥
নিৰস্ত্ৰ কৰাল মুষ্টি ধৰি খেদি যাই।
দেখি বৎসদন্ত প্ৰহাৰিলা দেবী আই ॥১৪॥
দন্তাঘাতে মূৰ্চ্ছা হুইছিল কতোক্ষণ।
ক্ষণিকতে পুনৰপি ভৈল সম্মুক্ষণ ॥ ১৫ ॥
বৃক্ষধৰি প্ৰহাৰিল দেবীৰ উপৰে।
বামহাতে ধৰি দেবী ফেলিলন্ত দূৰে ॥১৬॥
আক্ৰান্ত কৰিয়া দুষ্টে ধৰিবে [illegible]
বজ্ৰ মুষ্টি ঘাৰে তাৰ ভা[illegible]
মুখে ৰক্তস্ৰাব কৰি উ[illegible]
পুনু উঠি, বেগ ধৰি দেবীক ধাইল [illegible]

যেহি বেগে দৈত্য গোট খেদি আসিলন্ত ।
বজ্রচৰ ঘাৱে তাৰ মুণ্ড ছিণ্ডিলন্ত ॥১৯॥
মৰিল কৰাল যদি আসিল উদ্ধত ।
ৰথে চৰি অস্ত্ৰশস্ত্ৰ লই অসংখ্যাত ॥২০॥
সন্নাহা আবৃত তনু হাতে ধনুৰ্ব্বাণ ।
দেবী প্ৰতি নানা অস্ত্ৰ কৰন্ত সন্ধান ॥২১॥
ভল্ল ভিন্দিপাল শূল মুষল মুদ্গৰ ।
গদা খড়্গ পট্টিশ পৰশু ভয়ঙ্কৰ ॥২২॥
শিলা বৃক্ষ নানাবিধ কৰন্ত প্ৰহাৰ ।
ধাৰাসাৰে অস্ত্ৰ বৃষ্টি অম্বিকা উপৰ ॥২৩॥
গদা পাক দিয়া দেবী বাণব্যৰ্থ কৈল ।
ক্ৰোধবেগে কোব এক মুণ্ডত মাৰিল ॥২৪॥
বজ্ৰাঘাতে যেন গিৰি শিখৰ বিদাৰে ।
একে কোবে দুষ্ট মৰিগৈল যমপুৰে ॥২৫॥
গদাঘাতে চূৰ্ণ ভৈল উদ্ধত অসুৰ ।
ভগ্ন দূত নিবেদিল মহিষ গোচৰ ॥২৬॥
শুনিয়া বাস্কলে আজ্ঞা কৰিল ৰাজন ।
আজ্ঞা পাই বাস্কল আসিল ততক্ষণ ॥২৭॥
অন্ধকাৰ কৰি অস্ত্ৰ শস্ত্ৰ প্ৰহাৰন্ত ।
নানা অস্ত্ৰ শূলশেল শকতি প্ৰচণ্ড ॥২৮॥

অস্ত্রে অস্ত্রে চণ্ডিকাক আছন্ন কৰিল ।
সেহি বেলা চণ্ডী নিজ ধনুক টানিল ॥২৯॥
তীক্ষ্ণ বীৰ্য্য শিলি মুখ প্ৰহাৰিলা দাটি ।
তাৰ সবে অস্ত্ৰমানে পেলাইল কাটি ॥৩০॥
বৰ্ম্মছেদি মৰ্ম্মভেদি তাহাৰ হিয়াত ।
প্ৰহাৰিলা ভিন্দিপাল যেন বজ্ৰাঘাত ॥৩১॥
বক্ষভেদি পিঠি পাছে বজাইল শৰ ।
গিৰিসিত কৰি পৰে ভূমিৰ উপৰ ॥৩২॥
ভূমিকম্প লৰি যমপুৰে গৈল চলি ।
আকাশে অমৰ বৃন্দ হৈল কুতুহলি ॥৩৩॥
বাস্কল পৰিল যদি মহিষী নন্দন ।
তাম্ৰঅন্ধকক আজ্ঞা কৰিল তখন ॥৩৪॥
আজ্ঞা মাত্ৰে দুয়ো সেনাপতি দিল ধাৰ ।
ৰথে চড়ি ধনুধৰি বিক্ৰম দুৰ্ব্বাৰ ॥৩৫॥
আকাশ ঢাকিয়া দুয়ো শৰ ঝাক দিল ।
দুই মহাবীৰ একেলগে প্ৰহাৰিল ॥৩৬॥
প্ৰমথ গণকো শৰে জন্তাই থৈলন্ত ।
নিৰন্তৰ বাণে দুৰ্গা আছন্ন ভৈলন্ত ॥৩৭॥
কাটন ফুটন শৰ শূল যাঠী জোঙ্গ ।
শিলি মুখ সূচী মুখ বিপাট প্ৰচণ্ড ॥৩৮॥

পৰশু পট্টিশ আদি হানে নিৰন্তৰ ।
শূন্যপন্থ ৰোধ দশোদিশ অন্ধকাৰ ॥৩৯॥
নিজ শৰাসন টানি জগত জননী ।
প্ৰহাৰিলা তীক্ষ্ণ অস্ত্ৰ যেহেন অগনি ॥৪০॥
দৈত্য অস্ত্ৰ কাটি সবে দিশ মুক্ত কৈল ।
তীক্ষ্ণ শিলিমুখে দুইৰো হিয়া বিদাৰিল ॥৪১॥
দুৰন্ত অসুৰে নকৰয় গণাগণ ।
পুনৰপি হানে অস্ত্ৰ শাল বৃক্ষ যেন ॥৪২॥
হেন দেখি দুৰ্গা তীক্ষ্ণ শৰ বিষ জাল ।
ধনুৰ্গুণ টানি ক্ৰুদ্ধে সন্ধান কৰিল ॥৪৩॥
নিৰ্ধূম অগনি সম আকাশে আসই ।
অসুৰ যতেক মানে ভস্মহুই যাই ॥৪৪॥
মহাবেগে দুইহানৰ শিৰ লাগ পাইল ।
জটৰাই দুই মুণ্ড কাটি পেলাইল ॥৪৫॥
গিৰিস গিৰিস ভূমি উপৰে গিড়িল ।
কবন্ধ শৰীৰ পাছে নিঢলি পৰিল ॥৪৬॥
তাম্ৰক অন্ধক মৰি গৈল যমপূৰ ।
আনন্দে দেৱতা নৃত্য কৰয় কিন্নৰ ॥৪৭॥
উগ্ৰ মহাবল উগ্ৰবীৰ্য্য তিন জন ।
হাতে অস্ত্ৰ শস্ত্ৰ সবে জপাইল ৰণ ॥৪৮॥

তিনি বাৰ একেকালে বৰিষয় বাণ ।
মুষল মুদ্গাৰ শেল শক্তি খৰসান ॥ ৪৭
প্ৰলয় কালত যেন মজাইবে সৃষ্টি ।
তিনি জন কৰে সেহি ৰূপে বাণ বৃষ্টি ॥ ৪৮
অস্ত্ৰে দিশ অন্ধকাৰ দৃষ্টি নাহি চলে ।
কঙ্ক গৃধ্ৰ পাখী চাই আছে পালে পালে ॥ ৪৯
সন সনি ঘোৰ শব্দ গগণ মণ্ডলে ।
আকাশে অমৰ গণ ভয়তে বিকলে ॥ ৫০
দেখি চণ্ডী ধনু ধৰি টঙ্কাৰ কৰিল ।
কৰ্ণমানে টানি দিব্য শৰ প্ৰহাৰিল ॥ ৫১
নিমিষে অসুৰ অস্ত্ৰ কৰিল ছেদন ।
পুনু তীক্ষ্ণ অস্ত্ৰ দেহে কৰিল ঘাতন ॥ ৫২
উগ্ৰৰ হৃদয়ে প্ৰহাৰিল দৃঢ়ত্তৰ ।
প্ৰবেশিল সৰ্প যেন গৰ্ত্তৰ ভিতৰ ॥ ৫৩
ক্ষণিতেকে মূৰ্চ্ছা হুই পড়িয়া আছিল ।
পৰশু উছাই তাত পাছে খেদি গৈল ॥ ৫৪
ধনু এড়ি শূল তুলি লৈলা মহেশ্বৰী ।
দূৰতে হানিল তাৰ হৃদি লক্ষ কৰি ॥ ৫৫
ঘোৰ শূল পাটে তাৰ হিয়া বিদাৰিল ।
কুঠাৰে সহিতে দৈত্য নিচলি পড়িল ॥ ৫৬

হেন দেখি উগ্রবীর্য্য বেগে খেদি গৈল ।
মৰিবাৰ বেলা তাৰ ওচৰ চাপিল ॥ ৫৭
এতেকতে খড়গ ধৰি কালৰ আগত ।
মৰিবাক লাগি দৈত্য হইল উদ্যত ॥ ৫৮
চিকি মিকি খড়্গ খান চাহান নযাই ।
দুৰ্ব্বিন অসুৰ খেদি যাই হাতে লই ॥ ৫৯
কালৰো অন্তক কালী তাহাক দেখিল ।
অদূৰতে হিয়া ভেদি ত্ৰিশূল হানিল ॥ ৬০
হৃদয় বিদাৰি উপৰক তুলি ধৰি ।
আছাড়ি পেলাইল কতো মান দূৰ কৰি ॥৬১॥
শূল আস্ফালনে দৈত্য উফৰি পৰিল ।
এহি ৰূপে উগ্রবীর্য্য যমপূৰ গৈল ॥ ৬২॥
দেখি কোটি ৰথপতি মহা হনু বীৰ ।
দুৰ্ব্বাৰ শকতি গোট কৰিল প্ৰহাৰ ॥ ৬৩ ॥
অগ্নি সম শক্তি পাট চলে আকাশত ।
বাম হাতে ধৰি দুৰ্গা ভাঙ্গিলা মাঝত ॥৬৪॥
শক্তি পৰশনে শক্তি নিস্তেজ হইল ।
ঘোৰ শূল পাট পাছে অসুৰে মাৰিল ॥৬৫॥
শূল আসিবাৰ দেখি দেবী নিজ শূলে ।
আকাশতে খোঞ্চা মাৰি ভাঙ্গিল সমূলে ॥৬৬॥

ক্ৰোধে অগ্নি হেন হনু মুষ্ঠি ধৰি ধাই ।
দেবীক মাৰিবে লাগি বেগে খেদি যাই ॥৬৭॥
আসন্ত দানব গোট দেখি নাৰায়ণি ।
প্ৰহাৰিল শূল গাছ হৃদয়ে তথনি ॥ ৬৮ ॥
মৰণ নিকট তাৰ আয়ুৰি আনিল ।
জ্বলন্ত অগ্নিত পুড়ি ফৰিঙ্গা মৰিল ॥ ৬৯ ॥
শূলে হৃদি বিদাৰিল পিঠি সৰকিল ।
পৃথিবীত পৰি যম পূৰে চলি গৈল ॥ ৭০ ॥

———:0:———

অথ বিড়ালাখ্য, স্কন্ধ, দুৰ্ম্মুখ ও ত্ৰিনেত্ৰৰ
যুদ্ধ এবং পতন ।

## পদ ।

ভগ্ন পাইক কহে গই মহিষ গোচৰ ।
তিনি সেনাপতি মৰি গৈল যম পূৰ ॥ ১ ॥
শুনিয়া মহিষ বিড়ালাক্ষক পাঠিল ।
আৰু দুই জন তাৰ সঙ্গত লড়িল ॥ ২ ॥
পঞ্চবৃন্দ ৰথ পতি বিড়াল দুৰ্ব্বাৰ ।
দেবী প্ৰতি তীক্ষ্ণবাণ কৰিল প্ৰহাৰ ॥ ৩ ॥

নিজ শৰে দেবী তাক সংহাৰ কৰিল ।
পুনৰপি দৈত্য অন্য অস্ত্র প্রহাৰিল ॥ ৪ ॥
যত অস্ত্র হানে দেবী কাটি ফেলায়য় ।
মুষ্টি ধৰি দেবীক মাৰিবে খেদি যায় ॥৫॥
মৰিবাক লাগি তাক যমে টানি আনে ।
এতেকতে দেবী তাৰ মুণ্ডে খড়্গ হানে ॥৬॥
বাহু তুলি মহা ক্রোদ্ধে কোব এক দিল ।
মুণ্ড গোট কাটি তাৰ ভূতলে পাড়িল ॥৭॥
যেহেন কুষ্মাণ্ড বলি দেবী আগে দিল ।
খড়্গাঘাতে বিড়ালাক্ষ সিমতে মৰিল ॥৮॥
হেন দেখি দুৰ্ম্মুখ নামত সেনাপতি ।
ৰথ আৰোহণ কৰি আইল শীঘ্র গতি ॥৯॥
কৱচে আবৃত দেহ হাতে ধনুৰ্ব্বাণ ।
ধনু টঙ্কাৰিয়া বাণ কৰিল সন্ধান ॥ ১০ ॥
তীক্ষ্ণ অসি ভল্ল ত্রিকণ্টিক শিলি মুখ ।
প্রহাৰিল দেবী প্রতি যেন হুহুভূক ॥১১॥
নিজ বাণে মহামায়া সমস্ত ছেদিল ।
বাণ কাটি মহাক্রুদ্ধে গৰ্জ্জিবে লাগিল ॥১২॥
দুই জনে ঘোৰ যুদ্ধ বাজিল তুমুল ।
প্রহাৰে পৰিঘ শক্তি মুষল মুদ্গাৰ ॥১৩॥

গদা শেল ভিন্দিপাল তোমৰ কৃপাণ ।
শৰ হানি দেবী সৰ্ব্ব কৰিল নিৰ্য্যান ॥১৪॥
পঞ্চবাণ পুনৰপি কৰিল প্ৰহাৰ ।
ৰথ অশ্ব ধনুৰ্ব্বাণ কৰিল সংহাৰ ॥ ১৫ ॥
বিৰথী বিধনু দৈত্য গদা ধৰি যাই ।
সিংহৰ মস্তকে কোব দিল গিৰি সাই ॥১৬॥
তাৰ গদা ঘাতে সিংহ ব্যথিত নভৈল ।
তীক্ষ্ণ বাণাঘাতে দেবী গদা খণ্ড কৈল ॥১৭॥
পুনৰপি আৰু বাণ কৰিল প্ৰহাৰ ।
মক্ষিকা সমান তাক কৰিল দোহাৰ ॥১৮॥
দুৰ্ম্মুখ পৰিল ৰণে স্কন্ধক কোপিল ।
মহা বেগে তীক্ষ্ণ শিলি মুখ প্ৰহাৰিল ॥১৯
বিষ বহ্নি ময় শৰ ভূজঙ্গ সমান ।
দেবীক হানিল ৰোষে দুৰ্ব্বাৰ দুৰ্জ্জন ॥২০॥
দেখি ভগৱতী তীক্ষ্ণশৰ শিতধাৰে ।
মুণ্ড কাটি পেলাইল বিষম প্ৰহাৰে ॥২১॥
গিৰিশৃঙ্গ গোট যেন উফৰি পৰিল ।
কাল কূট শৰে পাই দুখণ্ড কৰিল ॥২২॥
হেন দেখি ত্ৰিনেত্ৰা ৰণক আগুৱাইল ।
ৰথে চৰি ধনু ধৰি অস্ত্ৰ প্ৰহাৰিল ॥২৩॥

তিনি গোট শিলি মুখ সন্ধান কৰিল।
শৰে হানি দেবী তাক কাটি পেলাইল ॥২৪॥
অগ্নি হেন শূল পাট হাতে তুলি ধৰি।
ত্ৰিনেত্ৰাৰ হৃদয়ে মাৰিল ক্ৰুদ্ধ কৰি ॥২৫॥
ত্ৰিশূল প্ৰহাৰে দৈত্য যম পূৰে গৈল।
ৰথ সমান্বতে তাক সা.লয়া থইল ॥২৬॥
এহিমতে অসুৰৰ সৈন্য সেনাপতি।
অল্পকালে বিনাশিল ঈশ্বৰ শকতি ॥ ২৭ ॥
দানবৰ সৈন্য ছিল জগত যুৰিয়া।
আৰে দীৰ্ঘে পঞ্চ মাস পন্থ বিয়াপিয়া ॥২৮॥
ইটো স্থিৰ বুজিবাক নাহিকা শকতি।
অনুমানে বুজা তাক যিমত প্ৰবৃত্তি ॥২৯॥
মাৰ্কণ্ড বদতি ঋষি দেখা দৈববল।
সমুদ্ৰে সমান সৈন্য নিগুটি মৰিল ॥৩০॥
জয় দুৰ্গা সনাতনি শত্ৰু নিসূদনী।
শৰণাগতক ৰক্ষা কৰা ঠাকুৰাণী ॥৩১॥
দেৱতাৰ অপকাৰ আচৰিল যাতে।
বধিল মহিষাসুৰ জগতৰ হিতে ॥৩২॥
হিংসা ৰূপ পাপ ইটো অসুৰ দুৰন্ত।
দুৰ্গা ৰূপ ধৰ্ম্ম অস্ত্ৰে কৈল চূৰ্ণীকৃত ॥৩৩॥

দুৰ্গা নাম মহা অস্ত্ৰ হাতে কৰি লোৱা ।
পাপ ৰূপ অসুৰক সংহৰি পেলোৱা ॥৩৪॥
এক দেৱ সৰ্ব্ব আত্মাময় ৰাম হৰি ।
সুকৃতি দুষ্কৃতি সাক্ষী অন্তৰ বিহাৰী ॥৩৫॥
আশ্ৰয় কৰিলে তাঙ্ক হোৱে পৰি নাম ।
যোনী-দুঃখ তৰা ডাকি বোলা ৰাৰ ৰাম ॥৩৬

———o———

অথ মহিষৰ ৰণে প্ৰবেশ ।

## ছবি ।

ঋষি নিগদতি, শুনা মহা মতি,
পাছ কথা যেন ভৈল ।১॥
মহিষৰ সৈন্য, সেনাপতি গণ,
ৰণে যেবে হত ভৈল ॥২॥
হৈল সৰ্ব্ব শূন্য, নাহি একো জন,
চিন্তিত অসুৰ ভূপ ।৩।
আপুনি আসিল, ৰণে প্ৰবেশিল,
ধৰিল মহিষ ৰূপ ॥ ৪ ॥

কাম ৰূপী দৈত্য, ত্ৰিলোকে অবধ্য,
পূৰ্ব্ব বৰ প্ৰভাৱত ।৫।
ঘোৰ ৰূপী হুই, মহিষৰ কায়,
যুদ্ধে ভৈল আবিৰ্ভূত ॥৬॥
নাকৰ ফোঁৎকাৰ, গৰ্জ্জন অপাৰ,
ফোঁ ফোঁ কৰি ফেণ ছাৰে ।৭।
গৰ গৰ গৰ, শবদ ডাঙ্গৰ,
ত্ৰিলোক কম্পিত কৰে ॥৮॥
চপ চপ চপ, কৰি দপ দপ,
সাগৰৰ জল টানে ।৯।
ঘৰ ঘৰ ঘৰ, ৰূপ ঘোৰত্তৰ,
পৃথিবী কাম্পয় ঘনে ॥১০॥
ক্ৰুদ্ধে চক্ষুৰক্ত, পিশাচ দলত
প্ৰথমে প্ৰবেশে গই ।১১।
দেবীৰ যতেক, পিশাঞ্চ সৈন্যক,
দাহুৰি লগাইল যাই ॥১২॥
ঠোটোৰা প্ৰহাৰে, শৃঙ্গাঘাত কৰে,
কাকো ক্ষুৰাঘাতে মাৰে ।১৩।
বিভৎস আকাৰ, প্ৰমথ সৈন্যৰ,
লাঙ্গটা পিঙ্গটা জটা ॥১৪॥

পেট লাও হেন, নাক ঢোল যেন,
কুলা হেন কাণ দুটা ।১৫।
ভৈৰব আকাৰ, কতক দুৰ্ব্বাৰ,
কতো অতি ক্ষুদ্ৰ কায় ॥১৬॥
হেন অসংখ্যাত, পিশাচ দলত,
মহিষাসুৰ সোমায় ।১৭।
কৰে উৎপাত, প্ৰহাৰ নিৰ্ঘাত,
কৰৈ মল মূত্ৰ ত্যাগ ॥১৮॥
শিঙ্গেৰে ঘালয়, লাঞ্জে কোবাৰয়,
যেন গৰু ধৰে বাঘ ।১৯।
নাক নিশ্বাসত, ফোৎকাৰ শব্দত,
কাহাকো ভূমিত পাড়ে ॥২০॥
লাঙ্গুল আঘাত, যেন বজ্ৰাঘাত,
বিষাণে ভুৰু ভোঁহাৰে ।২১।
পাক ফুৰণিত, মোহাৰে ক্ষুৰাত,
হিমাদ্ৰি সদৃশ দেহ ॥২২॥
অনন্ত সচল, কাপে কুলাচল,
খহি পৰে মহিৰুহ ।২৩।
কুমাৰৰ চাক, বেগে ফুৰে পাক,
কাকো খঙ্গে ধৰি ঝাঁকে ॥২৪॥

ঘোৰ লম্ফ মাৰে, মেদিনী বিদাৰে,
পৃথিবী ফালিয়া হাঁকে ॥২৫।
এহি ৰূপে যত, পিশাঞ্চ দলত,
মহামাৰি কৰিলন্ত ॥২৬॥
দেবীৰ শক্তি, জন্ম নিশ্বাসত,
মসিমূৰ কৰিলন্ত ।২৭।
যতেক প্ৰমথ, সবে হৈল হত,
প্ৰলয় নিশ্বাস ছাড়ে ॥২৮॥
বিষাণ উছাই, ক্ৰুদ্ধে খেদি যাই,
সিংহক মাৰিবে তৰে ।২৯।
আকাশতে শৃঙ্গ, মাৰে ঘনে ৰিঙ্গ,
টেটনিত ভূব কাম্পে ॥৩০॥
পদ আস্ফালনে, কাম্পে ঘনে ঘনে,
ধৰণী বেগে উল্লম্ফে ।৩১।
দেখি ভৱৰাণী, ক্ৰুদ্ধত অগনি,
ওৰ কুসুমৰ বৰ্ণ ॥৩২॥
অসুৰো খঙ্গত, আস্ফালে ভূমিত,
দুই চক্ষু অগ্নি হেন ।৩৩।
শৃঙ্গে বিদাৰিয়া, পৰ্ব্বত ভাঙ্গিয়া,
ঘোৰ নাদে প্ৰহাৰয় ॥৩৪॥

শৃঙ্গে মহিষৰ, পৰ্ব্বত শিখৰ,
কোৱাই গুণ্ডি কৰয় ।৩৫।
ঘোৰ উত পাত, প্ৰহাৰ নিৰ্ঘাত,
ধৰণী বিছিন্ন ভৈল ॥৩৬॥
পাক ঘূৰণিত, খুৰাৰ বেগত,
জল ধাৰা নিকলিল ।৩৭।
যেন বজ্ৰাঘাত, লাঞ্জ মাৰে ছাট,
সমুদ্ৰে উঠলে উৰ্ম্মি ॥৩৮॥
শৃঙ্গ আস্ফালনে, পদ সঞ্চালনে,
পঙ্কাকুল ভৈল ভূমি ।৩৯।
সমুদ্ৰৰ জল, ব্যাপি ৰণ স্থল,
খাল বাম সম ভৈল ॥৪০॥
মৎস্য মগৰ, শিহু ঘৰিয়াল,
উফৰি তীৰে পৰিল ।৪১।
প্ৰচণ্ড আন্দোল ঢৌ উঠলিল,
দিকা দিক বিয়াপিল ॥৪২॥
শৃঙ্গৰ ঘঞ্চাল, ভৰিৰ আস্ফাল,
আকাশ বিদীৰ্ণ ভৈল ।৪৩।
বলাহ গৰ্জ্জন, মেঘৰ নিঃস্বন,
মেঘ খণ্ড খণ্ড কৰে ॥৪৪॥

নক্ষত্র মণ্ডল, সহ আখণ্ডল,
ভূমে যেন খসি পড়ে ।৪৫।
নিশ্বাস বায়ুত, প্ৰবল বেগত,
পৰ্ব্বত উড়িয়া ঘুৰে ॥৪৬॥
আকাশৰ পথে, বহু দূৰ উঠে,
উলটি ভূমিত পড়ে ।৪৭।
সমস্তে জগত, ভৈলন্ত শঙ্কিত,
অসুৰে বিনাশে আজি ॥৪৮॥
এহিৰূপ ক্ৰুদ্ধ, হই অতি অন্ধ,
মহিষে ফুৰে গৰজি ।৪৯।
দেখিয়া অম্বিকা, ক্ৰুদ্ধ অতিৰিকা,
মনত চিন্তে উপায় ॥৫০॥
মহা ধুম কেতু, তাৰ বধ হেতু,
অম্বিকা চিন্তিত প্ৰায় ।৫১।
বৰুণে দিবাৰ, সৰ্ব্ব অস্ত্ৰ সাৰ,
মহা পাশ হাতে লৈল ॥৫২॥
মহা পাশ অস্ত্ৰ, সহজে অব্যৰ্থ,
হাতে গলে বান্ধি থৈল ।৫৩।

——:*:——

## পদ ।

বৰুণৰ পাশে বন্ধ হইল অসুৰ ।
হাতে গলে জিঞ্জিৰী লাগিল জৰ পুৰ ॥১॥
ঘোৰ নাগ পাশ বন্ধ এৰান নাযায় ।
দুৰ্জ্জয় অসুৰে গণা গণো নকৰয় ॥ ২ ॥
ত্যজিয়া মহিষ ৰূপ সিংহ কায় ভৈল ।
মহা সিংহ ৰূপ ধৰি গৰ্জ্জিবে লাগিল ॥৩॥
আস্ফালনে লম্ফে জম্পে ধৰণী কম্পিত ।
দেবিসিংহ গোটক ধৰিল আলাগত ॥৪॥
সিংহেয়ো তাহাক ধৰি কামোৰ মাৰিল ।
সিয়ো পঞ্জাপুতি মাংস ছিন্দিয়া ফেলিল ॥৫॥
দেখি দেবী মহাকাল খড়্গ পাত লৈল ।
চমক বিজুলী যেহিমত প্ৰকাশিল ॥ ৬ ॥
মাৰিলন্ত কোব তাক দুই বাহু তুলি ।
মাৰোহো অসুৰ আবে কৈক যাইবি বুলি ॥৭॥
বিষম প্ৰহাৰ তাৰ গলত লাগিল ।
কতো দূৰে শিৰ গোট উফৰি পড়িল ॥৮॥
সিংহ মায়া নষ্ট ভৈল দানব দুৰ্ব্বাৰ ।
খড়্গ চৰ্ম্ম ধাৰী তাত হৈল এক বীৰ ॥৯॥

ৰহ ৰহ দেবী তোক কৰিবোহো উলি ।
নানা মায়া কৰি তোক বধিবো সমুলি ॥১০॥
খড়্গ চৰ্ম্ম ধাৰী অতি বাহ্বোস্ফোট কৰি ।
কতো আকাশক লাফে বাক কোব মাৰি ॥১১॥
মহাবাকৰতী বাক বেগত ঘুৰয় ।
কতো লাম্ফ দিয়া আসি পড়ে ছেগচাই ॥১২॥
হাতে খড়গ খান জ্বলে চিকি মিকি কৰি ।
চক্ষুত জলক উঠে দেখি তিৰি বিৰি ॥ ১৩॥
খড়গ উঠাই বেগ কৰি দেবীক ঘানিল ।
সূক্ষ্ম মায়াময় দেহ কিছু নালাগিল ॥ ১৪ ॥
দেখি দেবী তীক্ষ্ম ক্ষুৰপতি প্ৰহাৰিয়া ।
হাততে খড়গখান পেলাইল কাটিয়া ॥ ১৫ ॥
পুনৰপি প্ৰহাৰিল শিত সপ্তসাৰ ।
অষ্ট চন্দ্ৰ বাক সহ কৰিল দোহাৰ ॥ ১৬ ॥
ঘোৰ শৰাঘাতে মায়া হইল দুখণ্ড ।
হইল মহাগজ ৰূপ দাৰুণ প্ৰচণ্ড ॥ ১৭ ॥
পৰ্ব্বত সমান দুই দন্ত ভয়ানক ।
দুই চক্ষু ৰক্ত বৰ্ণ মদ বিগলিত ॥ ১৮ ॥
ঘূৰ্ণিত লোচন বেগধৰি খেদি যাই ।
প্ৰতিপদে গিৰ গিৰ ধৰণী লড়য় ॥ ১৯ ॥

শুণ্ড প্রসাৰিয়া কৰী সিংহক ধৰিল ।
চাম্পদিয়া সিংহ তাৰ শুণ্ডত উঠিল ॥ ২০ ॥
কুম্ভস্থল ভেদি তাৰ কামোৰ মাৰিল ।
নখাঘাতে মাংস ছিণ্ডি বিদাৰি ফেলিল ॥২১॥
মুণ্ডহাকি ৰক্ত বহি যাই ধাৰাসাৰে ।
ঝোকাৰিয়া সিংহক পেলাইল কতোদূৰে ॥২২॥
দুই দান্ত ভিড়ি খোঞ্চা মাৰিবে খোজন্তে ।
খড়্গ হানি অম্বিকা কাটিলা এতহন্তে ॥ ২৩ ॥
হস্তীমায়া নাশ ভৈল অসুৰ কোপিত ।
পুনৰপি মহিষ আকাৰ ধৰিলন্ত ॥ ২৪ ॥
শৃঙ্গাঘাতে পদাঘাতে ধৰণী বিদাৰে ।
তাৰভৰে বসুমতী দলদোপ কৰে ॥ ২৭ ॥
পৰ্ব্বত সদৃশ দেহ বিপুল বিক্ৰম ।
চৰাচৰ ধৰাধৰ কৰিল বিভ্ৰম ॥ ২৬ ॥
লাঙ্গুল আঘাত কৰে সমুদ্ৰ জলত ।
মহাবজ্ৰে ইন্দ্ৰে যেন ভাঙ্গয় পৰ্ব্বত ॥ ২৭ ॥
সাগৰৰ জলমানে উঠলিয়া পৰে ।
চূৰ্ণীকৃত কৰে গিৰি শৃঙ্গৰ প্ৰহাৰে ॥ ২৮ ॥
স্থাৱৰ জঙ্গম আদি যত চৰাচৰ ।
ধ্ৰসমসি তিনিও লোকত লাগে বড় ॥ ২৯ ॥

সমস্তে জগত খান হয় বিত্ৰাসিত ।
কাম্পে জীব প্ৰলয় ভাবিয়া অকালত ॥ ৩০ ॥

---o---

অথ মহিষাসুৰ বধ ॥

## ঝূমুৰি ।

দুৰ্ব্বাৰ অসুৰ গোট । কৰে আতি মহাছোট ॥১॥
নাকৰ নিশ্বাস টান । ফোকাৰন্ত ঘনে ঘন ॥২॥
মুখে ফেন যাই ফুটি । ওৰফুল চক্ষু দুটী ॥৩॥
ভূমিত প্ৰহাৰে শৃঙ্গ । ভৰি মাৰে ঘনে ঘন ॥৪॥
দুৰ্ঘোৰ প্ৰহাৰ পাই । ভূমিখান ফাটি যাই ॥৫॥
কতো মলমূত্ৰ ত্যাগি । পঙ্কাকুল কৰে আতি ॥৬॥
দুই শৃঙ্গ তুলি খেদে । টেটনিত কাণ ফাটে ॥৭॥
বোলে আজি ৰহ ৰহ । চণ্ডী গৰ্ব্ব নাকৰিহ ॥৮॥
শৃঙ্গাঘাতে বিদাৰিবো । জ্ঞাতি বধ এৰাইবো ॥৯॥
নাহি কৰো অপকাৰ । বংশ নাশ কৰ মোৰ ॥১০॥
ৰূপ যৌবনৰ গৰ্ব্ব । শৃঙ্গাঘাতে কৰো খৰ্ব্ব ॥১১॥
তবে তাৰ প্ৰতিচাহি । ভবানী কহন্ত হাহি ॥১২॥

দেবতাক কৰি হিংসা। বাঢ়ি আছে তোৰ তৃষা ॥১৩
হুই আছে আয়ু ক্ষয়। আৰু তোৰ দিন নাই॥১৪॥
কৰি আছ ঘোৰ পাপ। ভুঞ্জ আবে তাৰ পাপ ॥১৫॥
নাকৰিলি কাৰ্য্য ভাল। গ্ৰসিলেক ঘোৰ কাল ॥১৬॥
সবে দেৱতাৰ গণ। কৰি নিজ বেশাচ্ছন্ন ॥১৭॥
মনুষ্য লোকত যাই। ফুৰে খুজি মাগি খাই ।১৮॥
ঋষি মুনি তপস্বীক। দেবশিষ্য উপাসক ॥১৯॥
কৰ ঘোৰ অনাচাৰ। কতনো সহিব আৰ ॥২০॥
গৰ্জ্জ গৰ্জ্জ যত পাৰ। গাৰে বল শক্তি তোৰ ॥২১॥
দেবে কৰো উপকাৰ। তোহোৰ ছিণ্ডোহো মাৰ ॥
মধু পিয়োঁ যাৱক্ষণ। গৰ্জ্জ দুষ্ট তাৱক্ষণ ॥২৩॥
মই মধু পিয়োঁ যেবে। তোহোক দেখিবো তেবে ॥
তোক মাৰি পেশিলাত। দেব সবে গৰ্জ্জিবন্ত ॥২৫॥
হৈবে দেব শত্ৰু শূন্য। আনন্দ হইবে মন ॥২৬॥
নিজ ৰাজ্য লভিবন্ত। সুখে নিদ্ৰা কৰিবন্ত ॥২৭॥
যজ্ঞ ভাগ পাবে দেব। ব্ৰাহ্মণ কৰিবে সেব ॥২৮॥
ঋষি কহে এহি বুলি। হাসে অতি খলখলি ॥২৯॥
স্বৰ্ণ পাত্ৰে ভৰি নিল। দ্ৰাক্ষাৰস মধু পিল ॥৩০॥
ৰহ ৰহ ডাক ছাড়ি। উঠিলন্ত কাছি পাড়ি ॥৩১॥
মহিষৰ উপৰত। দেৱি দিয়া উঠিলন্ত ॥৩১॥

দক্ষপদে চাপি ধৰি । মাৰিলন্ত পাশ জৰি ॥৩৩॥
সৰ্ব্বগাৱে মেৰাইল । জৰপুৰে বান্ধি থৈল ॥৩৪॥
ইকাতি সিকাতি নাই । হাড় ঘাড় ভাগি যাই ॥৩৫॥
কৰন্ত আক্ৰান্ত অতি । এৰাইবাক কৰে মতি ॥৩৬॥
হৃদয়ত শূল মাৰি । মহাখঙ্গে বুকু ফালি ॥৩৭॥
গাৱত খছক দিল । তেজ মাংস এক হইল ॥৩৮॥
ত্ৰিলোকৰ ভৰ দিয়া । ধৰিছন্ত খছকিয়া ॥৩৯॥
পায়ে চাম্পি ধৰে আতি । ঘোৰ শূলে খেলা জান্তি ॥৪০
তবেতো অসুৰ গোটে । কেৰ মেৰ কৰে ছোটে ॥৪১॥
অৰ্দ্ধ দেহ নিকলিল । হাতে বাক খাণ্ডা লৈল ॥৪২॥
যুদ্ধ কৰিবাক মনে । টনাটনি কৰে ঘনে ॥৪৩॥
এড়াইবাক সাধ্য নাই । ঘোৰঘামে বহি যাই ॥৪৪॥
সেহিবেলা সিংহ গোটে । কামোৰ দিলন্ত দাঁতে ॥৪৫॥
ছাম্প দিয়া হৃদয়ত । পঞ্জাপুটি ধৰিলন্ত ॥৪৬॥
বাহুত কামোৰ দিল । ৰক্তধাৰা নিকলিল ॥৪৭॥
বুকু ফালি ধৰিলন্ত । মুখে মাংস আজোৰন্ত ॥৪৮॥
নাগপাশে চুলি সহ । মেৰাই টানে ছিণ্ডে দেহ ॥৪৯
বাম বাহু ভিড়ি দান্ত । কামুৰি ছিন্দিল আন্ত ॥৫০॥
ফণাতুলি গৰ্জ্জে নাগ । বিষ বহ্নি হয় ৰাজ ॥৫১॥
ফোঁ ফোঁ ফোৎকাৰ কৰে । অসুৰে আছাড় মাৰে ॥৫২॥

দেবীপদ স্পৰ্শ হৈল । বলশক্তি হৰি লৈল ॥৫৩॥
মন্দভাবে আচৰিল । তেবে মায়া চূৰ হৈল ॥৫৪॥
বুদ্ধি চূৰ হৈল তাৰ । কি কৰিবে মায়া আৰ ॥৫৫॥
দেবী খড়গখান তুলি । মাৰিলন্ত হু বুলি ॥৫৫॥
চিকিমিকি কৰে আতি । মধ্যাহ্ন ভাস্কৰ জ্যোতি ॥৫৭
গলাত পড়িল বেগে । একঘাৱে মুণ্ডছিগে ॥৫৮॥
শ্ৰবণীত গিৰিসাই । উফৰি পড়িল যাই ৫৯॥
কতোদূৰ মান ধৰি । ঘৰিসনা গৈল লড়ি ॥৬০॥
শেষ সৈন্য যত ছিল । হাহাকাৰে পলাইল ॥৬১॥
আনন্দ হইল দেব । পুষ্প বৃষ্টি কৰে সব ॥৬২॥
ঋষি মুনি কৰে স্তুতি । নাচে দেব হৰ্ষ মতি ॥৬৩॥
অপেস্বৰা কৰে নৃত্য । গন্ধৰ্ব্বে গায়য় গীত ॥৬৪॥
সকল ভুবন খান । আনন্দে প্ৰফুল্ল মন ॥৬৫॥
দেব অৰি বিনাশিল । অম্বিকাক স্তুতি কৈল ॥৬৬॥
স্কন্ধ গ্ৰীবা হিয়া পাৰি । হাত কৰ যোৰ কৰি ॥৬৭॥
লম্বাদেহ ঋজুকায় । আগত পৰিয়া ৰয় ॥৬৮॥
ধৰিয়া ঝুম্ৰিছন্দ । গোপাল ৰচিল পদ ॥৬৯॥
বোলা ডাকি হৰি হৰি । যেবে যাইবা ভব তৰি ॥৭০॥

——:*:——

অথ দেব স্তুতি ॥

## লেচাৰি ।

ক্র আদি কৰি দেবগণ, দুৰন্ত অসুৰ হইলে ছন্ন,
অবনত কায়ে কৰিল দেবীক স্তুতি ॥ ১ ॥
ানন্দে লোতক ভৈল দেহ, চক্ষুহন্তে ধাৰে বহে লোহ,
দেবতাৰ দেহে আনন্দে পৰয় জ্যোতি ॥ ২ ॥
স্নে আপন শক্তি বলে, সমস্ত ব্ৰহ্মাণ্ড প্ৰসবিলে,
দেবতাৰ তেজে উদ্ভব হুইল যাৰ । ৫ ॥
হামুনি ঋষি দেবগণ, পূজন্ত যাহাক ভক্তজন,
ভক্তি কৰি ভজো চৰণ আমি তাহাৰ ॥ ৬ ॥
ৰ অতি শক্তি বীৰ্য্য বল, সমৰ্থ নুহিকা আখণ্ডল'
ব্ৰহ্মা শিব যাৰ অনন্তো নপাই অন্ত । ৭ ।
ওৰূপে সেহি সনাতনী, জগত পালনে নাৰায়ণী,
বিপদ খণ্ডিবে সৰ্ব্বদা হয়ো সন্তুষ্ট ॥ ৮ ॥
মি মহালক্ষ্মী পুণ্যবাণে, অলক্ষ্মী স্বৰূপা পাপীজনে,
সন্তৰ হৃদয়ে সৰ্ব্বদায়ে বুদ্ধি ৰূপা । ৯ ।
াধুগণে যাক কৰে শ্ৰদ্ধা, মহন্ত জনৰ যিটো লজ্জ
প্ৰণামো তাহাঙ্ক সৰ্ব্বদা কৰোক কৃপা ॥ ১০ ॥

ত্রয়ু ৰূপ গুণ শক্তি ভাব, কিমতে চিন্তিবে ক্ষুদ্র দেৱ,
বৰ্ণাবো কিমতে অসুৰ বিনাশী বীৰ্য্য । ১১ ।
দেব অসুৰৰ সন্মুখত, দেখাইলা প্ৰভাব যেহিমত,
তাকো বৰ্ণিবাক আমাৰ অতি অসাধ্য ॥ ১০ ॥
জগত কাৰণ তুমি দেবী, সত্ব, ৰজ, তমো গুণ সেবী,
কিমতে বুজিবো মোৰা অল্প মতি দেব ॥১১॥
ব্ৰহ্মা বিষ্ণু শিব আদি কৰি, বুজিবে অশক্ত স্বয়ংহৰি,
ক্ষুদ্ৰ প্ৰাণি দেৱ নজানোহো আমি সেৱ ॥১২॥
জগত আধাৰ তুমি শক্তি, জগতো তোমাৰ অংশভুতী,
জগতৰ ধ্বংস তথাপি তুমি অনাদি ॥১৩॥
যজ্ঞে দেৱহবি তুমি স্বাহা, পিতৃ কুলে তৃপ্তিৰূপ স্বধা,
যাজ্ঞীকে যজন কৰন্ত মন্ত্ৰৰে সাধি ॥১৪॥
মুক্তি হেতু তুমি পৰা বিদ্যা, চিন্তে মুনি নিয়ন্ত্ৰিত হুয়া,
ব্ৰহ্ম বিদ্যাতত্ত্বে তপস্যা কৰে তোমাক ॥১৫॥
শব্দৰূপা মাত্ৰ ধ্যানাগম্যা, সৰ্ব্বৈশ্বৰ্য্যা ৰত্ন ময় কন্যা,
মুনিয়ে ভজন্ত আশ্ৰয় কৰি বেদক ॥১৬॥
জগত পালনে কৃষি ৰূপা, হৃদয়ত তুমি বুদ্ধি কলা
দুৰ্গম সংসাৰ সমুদ্ৰ ভব তৰণী ॥ ১৭ ॥
জ্ঞানৰো অতৰ্ক্ব অদ্বিতীয়া, শশী মৌলি শিৱ শোভনীয়া
তুমি স্বৰ্ণ ৰেখা বিষ্ণুৰ হৃদয় মণি ॥১৮॥

সুবৰ্ণ বৰণ স্মেৰা ননা, শৰ দিন্দু দেখি মলীয়ান,
হেন মুখ হেৰি দুৰন্ত মহিষে তবু ॥১৯ ॥
আহা মৰি মৰি ক্রুদ্ধ ভৰে, তোমাৰ দেহত অস্ত্র মাৰে,
কিনো আচৰিত নেদেখি আছিলো কভু ॥২০॥
তুমি যাৰ প্ৰতি সুপ্ৰসন্ন, দেশ ব্যাপি তাৰ বাঢ়ে মান,
ধৰ্ম্ম অৰ্থ কাম মোক্ষ অধিকাৰ হোৱে ।২১।
দাৰাপত্য পুত্ৰ বন্ধু লই, ভৃত্য বৰ্গে পৰিবৃত হই,
সুখ সমাধিত সংসাৰ সিজনে তৰে ॥২২॥
তযু অনুগ্ৰহে ধৰ্ম্মী জন, ধৰ্ম্ম কৰ্ম্ম কৰে অনুষ্ঠান,
হোৱে অধিকাৰ অক্ষয় স্বৰগ ভোগে ।২৩।
আতুৰত দেবী ভীত জনে, শৰণ পশিলে তেতিক্ষণে,
ৰাখা তুমি তাঙ্ক ভয় পিশাচৰ ভোগে ॥২৪॥
অসুৰ মাৰিলে মোক্ষ পাইবে, পুনু যোনি দুঃখ নাহি...
এতেকতে ৰণে দিলাহা অক্ষয় ধাম ॥২৫॥
নতু অক্ষমান দৃষ্টি মাত্রে, অসুৰ হইত ভস্ম সাত,
অস্ত্ৰাঘাতে স্বৰ্গ অখণ্ড প্ৰাপ্তিসে কাম ॥২৬॥
উগ্ৰ খড়্গ প্ৰভা শূল দীপ্তি, অতি উগ্ৰতেজ মহাজ্যোতি
তথাপি দৈত্যৰ চক্ষু নষ্ট নাহি ভৈল ॥২৭॥
কাৰণ ইহাৰ ভগৱতী, তযু জ্যোৎস্না চন্দ্ৰ বিম্বাকৃতি,
মুখপদ্ম দেখি নয়ন শীতল ভৈল ॥ ২৮ ॥

দুৰ্ব্বিত্ত দমন শক্তি ভাব, তমু অতুলন গৌৰ ৰূপ,
ধ্যান কৰিবাৰো শকতি নাহি কাহাৰ ।২৯।
শত্ৰু ভয় কাৰী অতি ৰূপ,ত্ৰিলোক ভিতৰে সৌম্যৰূপ,
কেবলে তোমাৰ মাত্ৰ আছে অধিকাৰ ॥৩০॥
শূলখড়গ ঘণ্টা ধনুৰ্ঘোষে, পূৰ্ব্ব পশ্চিমাদি দশো দিশে,
হে দেবী সদা ৰক্ষা কৰা দেৱতাক ।৩১।
খড়গ শূল গদা শক্তি বলে, সৰ্ব্বদা ৰাখিয়ো আখণ্ডলে,
এইমতে মিনতি দেৱতা কৰে তোমাক ॥৩২॥

——:*:——

অথ দেবীৰ বৰদান ও অন্তৰ্দ্ধ্যান ।

পদ ।

ঋষি নিগদতি ৰাজা শুনা তাত পাছে ।
এহিৰূপে দেৱ স্তুতি কৰিল হৰিষে ॥১॥
নন্দন কুসুম দিব্য পুষ্প পাৰিজাতে ।
গন্ধানুলেপনে দিব্য ধুপদীপ দানে ॥২॥
পূজিল জগত ধাত্ৰী ভক্তি সহকাৰে ।
হইল সন্তুষ্ট বৰ আনন্দ অন্তৰে ॥৩॥

বৰ দিবে লাগি ভৈল শ্ৰীমুখ উজ্বল ।
দেৱগণ প্ৰতি ডাকি তখন কহিল ॥৪॥
তোমাসাৰ স্তবে দেৱ সন্তুষ্ট লভিলো ।
দিব্য পুষ্প পূজাৰ্চ্চন সকল পাইলো ॥৫॥
যিবা অভিলাষ বৰ কৰহ প্ৰাৰ্থনা ।
প্ৰীতি সহ পূৰাইব মনৰ কামনা ॥৬॥
দেবগণ কহে দেবী প্ৰবল অসুৰ ।
বধিলা মহিষ দৈত্য বাঞ্চা ভৈল পুৰ ॥৭॥
বৰ্ত্তমানে আৰ কিছু নাহি অবশিষ্ট ।
ভবিষ্যতে পুনু যদি ঘটয় অনিষ্ট ॥৮॥
স্মৰণ কৰিলে যেন আসি দেখা দিবা ।
পুনৰপি দেবতাৰ দুৰ্গতি খণ্ডিবা ॥৯॥
আমাসাৰ কৃত আৰু এহি স্তব দ্বাৰা ।
যেহি নৰে তোমাক ভজিবে ভবদাৰা ॥১০॥
তাৰো যেন ধন জন আয়ু বৃদ্ধি হয় ।
বিপদ খণ্ডয় মহাঐশ্বৰ্য্য মিলয় ॥১১॥
দেববাক্য শুনি দেবী তথাস্তু বুলিল ।
সকলৰ দৃষ্টি অগ্ৰে অন্তৰ্দ্ধ্যান হইল ॥১২॥
জগত মঙ্গল হেতু দেব তেজ জাত ।
এই এক অবতাৰ বৰ্ণিলো তোমাত ॥১৩॥

আৰু শুন পুনু শুম্ভ নিশুম্ভ আখ্যান ।
দেব কার্য্য হেতু যথা হইল উৎপন্ন ॥১৪॥
মিনতি গোপাল কৰে জগদম্বাপদে ।
সদাকালে ৰহে মন বিপদে সম্পদে ॥১৫॥
নমো নমো জগদ্ধাত্রী জগত জননী ।
সবাকাৰ আদি সর্ব্ব শক্তি সনাতনী ॥১৬॥
তোমাৰ বিচিত্র লীলা মন অগোচৰ ।
ব্রহ্মাৰো অসাধ্য কোনে বৰ্ণিবে ইতৰ ॥১৭॥
যেন বুদ্ধি দিলা তুই হিয়াত উদয় ।
ৰচিলো মহিষাসুৰ বধ পদ চয় ॥১৮॥
যামল সহিতা মিলাই দিছো ঠাই ঠাই ।
মূল মাৰ্কণ্ডেয় পুৰাণাদি ব্যাখ্যা চাই ॥১৯॥
মূৰ্খ ভাবি জ্ঞানীজনে ক্ষমিয়োক দোষ ।
পূর্ব্বে নাহি হয় ইটো প্রথম প্রকাশ ॥২০॥
জ্ঞানীজনে সংশোধন কৰিছে বহুল ।
তথাপি সন্তৰ ক্ষমা সংশোধন মূল ॥২১॥
নহে উপন্যাস ইটো মূল শাস্ত্র ব্যাখ্যা ।
সন্ত সাধু গুৰু স্থানে গৌৰব প্রতীক্ষা ॥২২॥
ঈশ্বৰ মাহাত্ম্য ইটো যাৰ গৃহে ৰহে ।
ধন ধান্য গো মহিষ আয়ু যশ বাঢ়ে ॥২৩॥

দাৰাপত্য বংশ বৃদ্ধি অৱশ্য হোৱয় ।
ভক্তি প্ৰেমে তাৰ ঘৰে দেবী বাঙ্কাৰয় ॥২৪॥
কহয় গোপাল দেৱ সন্তজন পদে ।
হৰি ৰক্ষা কৰে তাক দোৰ্ঘোৰ বিপদে ॥২৫॥
ভক্তি কৰি যেহি ভাবে তাহাঙ্ক ভজয় ।
পুস্তক গৃহত স্থাপি ভকতি কৰয় ॥২৬॥
সেহিমতে সিদ্ধি পাই নাহিকে অন্যথা ।
বোলা হৰি হৰি খণ্ডা ভব সিন্ধু ব্যথা ॥২৭॥
ইতি শ্ৰীদেবীমাহাত্ম্যে শ্ৰীগোপাল দেব
বিৰচিত শ্ৰীশিবনাথ ভট্টাচাৰ্য্য সংশোধিত
মহিষাসুৰ বধ পদ সমাপ্তম্ ॥২৮॥

৫০২৯/অ:

——:0:——